চান্দমামা

জুন ১৯৯৫



মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্‌,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 117.00 ● উৰাজাহাজ-যোগে 264.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 123.00 ● উৰাজাহাজ-যোগে 264.00

আপোনাৰ বৰঙণি কেৱল ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

"मेरि"
दुनिया भर की नारियों को, ३१ से अधिक सालों से मनमोहक, खूबसूरत और मजबूत स्वर्णपट्टित ज़ेवरों से सँवार रहे हैं।

मेरि अब पेश करते हैं चकाचौंध करने वाले रंगबिरंगे और उत्तम डिज़ाइन के ज़ेवर, जो शुद्ध चाँदी पर सोने का पानी चढ़ा कर और अमरीकी हीरो (A.D) से जड़ा कर बनाये गये हैं।

ज़ेवर वी.पी.पी. द्वारा मँगाये जा सकते हैं। हमें ज़ेवर की संख्या का उल्लेख देते हुये लिखिये। मंदिर की मूर्तियो और भरत नाट्यम के लिए ज़ेवर बनाना हमारी विशेषता है। मुफ्त रंगीन सूचापत्र के लिये लिखिये। कृपया पत्रव्यवहार हिन्दी या अंगरेज़ी में ही करिये।



MERI GOLD COVERING WORKS
P.O. Box 1405, 18, Ranganathan Street, T. Nagar,
Madras 600 017, Phone: 444671, 442513

চান্দমামা

*

জুন ১৯৯৫

এই সংখ্যাত আছে

*

কিছু অন্য চিন্তা	৭	ভাৰতৰ দুৰ্গ	৩৩
পৃথিৱীৰ খিৰিকীৰে	৯	গালি আলিয়ে যা	৩৭
নেদেখাই দিলে দেখা	১০	অমৃত চিকিৎসা	৪২
লাভৰ হিচাপ	১৬	মহাভাৰত	৪৫
অতুল-সুন্দৰী	১৭	বয়স কিমন	৫২
চান্দমামা-সমবাদ	২৪	চান্দমামা-ক্ৰোড়পত্ৰ	৫৩
পৰাজয়ৰ জয়	২৫	জয়ঘণ্টা আৰু দেশপ্ৰেম	৫৭
ছুঁচিয়াৰী ছুঁচৰি	৩১	প্ৰশ্ন	৬৩

*

ফটো প্ৰতিযোগিতা-পুৰস্কাৰ : ৬৫

চান্দমামা : খনে : ৫'০০ টকা মাথোন

বছৰেকীয়া বৰঙনি : ৬০'০০ টকা মাথোন

BACK TO SCHOOL WITH CHELPARK
chelpark
WAX CRAYONS
chelpark
CHELPARK RANGE OF PRODUCTS
WAX CRAYONS, WATER COLOUR CAKES, PEN, PENCIL, INK, OIL PASTELS, MOPPLES COLOUR SET. WATER COLOUR SET.
chelpark
CHELPARK COMPANY PVT. LTD.
A-93, Industrial Estate, Rajajinagar
Phone: 91-080-3351562/3351694
Bangalore - 560 344.
Delphina/Bir/C/95

পোলিঅ'প্লাচ

শিশুহঁতলৈ ব্যাধিবিহীন মুক্তজীৱনৰ সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰ লগে লগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পাৰ্টুছিচ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলজ**	সৰু আই	এবাৰ মাথোন
জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণকৈ দিব লাগিব।			



গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

কিছু অন্য চিন্তা

একালত 'গুৰুকুল' তথা 'গুৰু' আছিল শিক্ষাৰ মাধ্যম। ছাত্ৰইঁত গুৰুৰে সৈতে গুৰুৰ অৰণ্যস্থিত 'আশ্ৰম'ত থাকিছিল, পিঠিত কিতাপৰ বোজা বান্ধি লৈ ঘৰৰপৰা অহা-যোৱা কৰিবলগীয়া নহৈছিল, কোনো বিশেষ পাঠ্যপুথি নাছিল, পঢ়িবলগীয়া যিমান আছিল—শুনিবলগীয়া আছিল তাতকৈ বহুগুণে অধিক। কোনো নোটবহী মুখস্থ কৰাৰ প্ৰশ্নয়েই নাছিল, গুৰুৱে তেওঁৰ শিষ্যক (ছাত্ৰক) কৈছিল, ছাত্ৰৰূপী শিষ্যই মনে-চিতে তাকে গ্ৰহণ কৰিছিল আৰু গুৰুৱেই স্থিৰ কৰিছিল যে শিষ্যৰ শিক্ষা সমাপ্ত হ'লনে নাই। গুৰুৰ নিৰ্দেশত শিক্ষিত হৈ উভতি গৈছিল প্ৰাসাদ বা পৰ্ণকুটিৰলৈ।

কিন্তু আজি সেই দিন আৰু নাই। চহৰ-নগৰত তো নায়েই, গাঁৱৰ বিদ্যালয়সমূহেও চহৰ-নগৰৰ বিদ্যালয়সমূহকহে অনুকৰণ কৰে; যদিও—কিছুমান ঘোকোট গাঁৱত হয়তো এতিয়াও সেই তাহানিৰ প্ৰায় 'গুৰুকুল' বিধৰ বিদ্যালয়ৰ সা-সন্ধান পোৱা যাব—য'ত বিদ্যালয়ৰ 'ঘৰ' নাই, গছতলতে বিদ্যালয় বহে। আৰু সৰ্বমুঠ মাত্ৰ এগৰাকী শিক্ষকেই পঢ়ুৱৈইঁতক পঢ়ায় সেই তাহানিৰ 'গুৰু'ৰ দৰে।

আমাৰ বক্তব্য হ'ল যে গছতল গুচি 'ঘৰ' হয় যদি, সেই ঘৰত যেন খোৱাপানীৰ আৰু শৌচাগৰৰ সুবন্দবস্ত থাকে, আৰু কমেও দুগৰাকী শিক্ষাব্ৰতী, এগৰাকী মহিলা শিক্ষাব্ৰতী হোৱাটো আৱশ্যক।

আজিৰ শিল্পায়নৰ দিনত নগৰমুখী মনোবৃত্তিৰপৰা আঁতৰি সিকালৰ গুৰুকুল যদিও ঘূৰাই অনা সম্ভৱ নহয়, তথাপি তেনেহেন পৰিবেশ সৃষ্টিৰ কাৰণে আন্তৰিক প্ৰচেষ্টা কিজানি আজিও সম্ভৱ।

আমাৰ পৰিকল্পকসকলে অনুগ্ৰহ কৰি ভাবি চাওক

বছৰ : ২০   জুন ১৯৯৫   সংখ্যা : ৩

খনে ৫·০০ টকা :: বছৰেকীয়া বৰঙনি ৬০·০০ টকা

REWARD!

BRING 10 DIFFERENT WRAPPER STORIES AND THEIR WRAPPERS TO GET 3 MONOPACKS FREE

Big Baból

SOFT NON STICKY BUBBLE GUM

HURRY KIDS!

McCann/PERFETTI/ 995

- Look out for wrapper stories inside Big Baból monopacks only
- Collect the reward from your nearest dealer
- Offer available in select cities

PERFETTI

দাৰিদ্ৰ্য-দানৱক বধিবাক লাগি

ডেনমাৰ্কৰ ৰাজধানী কোপেনহাভেন বা কোপেন-হাগেনত ৬ মাৰ্চৰপৰা ১২ মাৰ্চলৈকে এখন বিশ্ব-শীৰ্ষ-সন্মিলন অনুষ্ঠিত হৈছিল। এই শীৰ্ষ-সন্মিলনলৈ সৰ্বমুঠ ১৮৫ খন দেশক আমন্ত্ৰণ কৰা হৈছিল আৰু ১২১ খন দেশে সপ্তাহব্যাপী এই সন্মিলনত প্ৰত্যক্ষভাবে যোগ দিছিল। ১৮০ খন দেশৰপৰা ৬০০০ তকৈয়ো অধিক প্ৰতিনিধি আহিছিল, আৰু আমন্ত্ৰিত অনাচৰকাৰী সংস্থাসমূহৰপৰা অহা প্ৰতি-নিধিৰ সংখ্যা আছিল তাতোকৈ অধিক। গতিকে, এই অভূতপূৰ্ব জনসমাগমৰপৰাই এই শীৰ্ষ-সন্মিলনৰ ব্যাপকতা তথা গুৰুত্বৰ লেখ ল'ব পাৰি।

এই শীৰ্ষ-সন্মিলনত আলোচ্য বিষয়নো কি আছিল? বিভিন্ন দেশৰপৰা দাৰিদ্ৰ্যৰ উৎপাটন। বিশ্বৰ অধিকভাগ দেশেই যে দাৰিদ্ৰ্যদানৱৰদ্বাৰা পীড়িত, সেই কথাত এই সন্মিলন আছিল একমত। আৰু ভূতৰ ওপৰত দানহ পৰাৰ দৰে, দাৰিদ্ৰ্যৰ সৈতে যুক্ত হৈছে নিৰক্ষৰতা। এই দুয়োটা দানৱক কেনেকৈ বধ কৰা যায়— তাৰে আলোচনা-বিলোচনা হৈছিল এই শীৰ্ষ সন্মিলনত।

ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে এই বিষয়ত তেওঁৰ সাৰগৰ্ভী ভাষণত কৈছিল: "দাৰিদ্ৰ্য, পীড়া, নিৰক্ষৰতা আদি ব্যাধি বিশ্বৰ যি চুকে-কোণেই নাথাকক, তাৰে সমগ্ৰ পৃথিৱীৰ শান্তি ব্যাহত হৈছে, সামগ্ৰিকভাৱে বিকাশ তথা প্ৰগতি বাধা-প্ৰাপ্ত হৈছে। গতিকে — প্ৰত্যেকৰ স্বাৰ্থতে প্ৰত্যেক দেশৰ দাৰিদ্ৰ্য-দানৱক বধ কৰিব লাগে।"

বিশ্ব-শান্তিৰ পক্ষে প্ৰচণ্ড বিঘ্নস্বৰূপ এই দাৰিদ্ৰ্য পীড়া, নিৰক্ষৰতা আদি গুচাবৰ বাবে পৃথিৱীত বহুতেই বহু ধৰণৰ অভিভাষণ দিছে; কিন্তু সেই-বোৰ অভিভাষণ অভিভাষণতে থাকি গৈছে. তাৰ কাৰ্যকাৰিতাৰ কোনো প্ৰমাণ অদ্যাপি নাই।

এই কোপেনহাভেনীয় শীৰ্ষ-সন্মিলনতো ভাষণ-অভিভাষণেই প্ৰদত্ত হৈছে; কিন্তু কেৱল ভাষণতে ভোল নিয়াই চুকচুকাই থকাৰ বাহিৰে কেনেকৈ প্ৰকৃত সক্ৰিয়তাৰে কি কৰিব পাৰি, তাৰো ৰূপ-ৰেখা নিৰ্ণয় কৰাৰ দিহা কৰা হৈছে। কেৱল দাৰিদ্ৰ্য দানৱকে নহয়, নিৰক্ষৰতাৰ ৰাক্ষসীকো বধ কৰাব বিশেষ উপায় বিচৰা হৈছে। নিৰক্ষৰতা, ৰোগ-ব্যাধি, নিবনুৱাত আদি দাৰিদ্ৰ্যৰ সৈতে সংশ্লিষ্ট। গতিকে— কেৱল আছুতীয়াকৈ দাৰিদ্ৰ্য গুচাবৰ দিহা কৰিলেই তহ'ব, এইবোৰও গুচাব লাগিব যে —সেই কথাত সন্মিলনৰ সকলো জন-প্ৰতিনিধিয়েই একমত হৈছে।

অ.ক —লগতে মানৱ জাতিৰ ভয়াবহ বিনাশ-কাৰী বিপুল পৰিমাণৰ অস্ত্ৰভাণ্ডাৰক কেনেকৈ ধ্বংস কৰিব পাৰি—তাৰ বিষয়েও উপায় বিচৰা হৈছে এই সন্মিলনত। এই সন্মিলনত কেৱল চৰকাৰী বৰমূৰীয়াসকলেই নহয়, অনাচৰকাৰী উল্লেখযোগ্য ব্যক্তিত্বসকলকো যে অহ্বান কৰা হৈছিল, তাৰ সাৰ্বিক সুফল পৰিলক্ষিত হৈছে।

আমাৰ প্ৰধানমন্ত্ৰী নৰসিংহ ৰাওদেৱে তেওঁৰ ভাষণত অ.ক কৈছে: "আমাৰ পৃথিৱীয়ে সমগ্ৰ কুৰিশতিকা বিশেষকৈ অস্ত্ৰৰ হুংকাৰ আৰু পৃথিৱীৰ ধ্বংসৰ কামতে ব্যাপৃত।" কিন্তু এতিয়া আশাৰ পোহৰ পৰিলক্ষিত: "কিন্তু এই শতিকাৰ অন্তত পৃথিৱীয়ে গঠনমূলক কৰ্মতো যে নিজক নিয়োজিত কৰিছে, এই মহৎ শীৰ্ষ-সন্মিলনেই তাৰ প্ৰকৃষ্ট দৃষ্টান্ত।" তেওঁ আৰু কৈছে: "এই বিশ্ব আমাৰ সকলোটিৰ বাবে। দেশ বিভিন্ন, কিন্তু পৃথিৱী অভিন্ন। ইখন দেশৰ সৈতে সিখন দেশ ইমান ওৰা-উচৰিকৈ সম্পৰ্কিত যে—ইখনৰ অৱনতিয়ে সিখনৰো অৱনতিকে সূচায়।"



নেদেখাই দিলে দেখা

গাঁৱৰ নাম ধৰ্মপুৰ, কিন্তু সেই বুলি সেই গাঁৱৰ সকলোটি ধাৰ্মিক নহয়। অধৰমী-বিধৰমীও আছে। যেনে—নামটি যদিও ধৰ্মধ্বজ, কামটি তাৰ কিমান ধৰমী—ৰাইজেহে ক'ব। ধৰ্মধ্বজ মহাসুদখোৰ, তাৰপৰা টকা ধাৰলৈ লোৱাইহে জানে তাৰ সুতৰ চকাই কেনেকৈ পিহে, চকাৰ তলত পেলাই পিহি পেটু নাড়ী উলিয়াই এৰে সি।

ধৰ্মধ্বজৰ ঘৰৰপৰা অলপমান আঁতৰত, তাৰ ঘৰৰ বিপৰীত ফালে সুধন্যৰ ঘৰ। সুধন্য দেৱভক্ত আৰু তেওঁ পৰোপকাৰী। তেওঁ বহু বাৰ ধৰ্মধ্বজক বুজাই কৈছে যে সুতৰ কাৰবাৰতো দয়া-ধৰম ৰাখিব লাগে ; কিন্তু ধৰ্মই ধৰ্মকথা নামানে, সি সাৰকথা জানে টকাইহে টকা আনে।

সুধন্যই আনকি ধৰ্মধ্বজৰ পৰিবাৰকো ধৰ্মধ্বজৰ সুতখোৰীৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ কৈছিল, কিন্তু পতিভক্তিমতীয়ে পতিৰ এই গতিৰ বিৰুদ্ধে টুঁ শব্দটিও কৰা নাছিল, মাতিবৰ দাঁতেই নাছিল।

আৰু অৱশেষত এদিন—ধৰ্মৰ অধৰমী কাম — সুতখোৰী যাৰ নাম—সহিব নোৱাৰি, সুধন্যই ধৰ্মধ্বজক একেবাৰে মাৰি পেলোৱাটোকে খাটাং কৰিলে।

সুধন্যই ভাবিলে : ধৰ্মধ্বজে মোৰ কোনো অনিষ্ট কৰা নাই, হয় ; কিন্তু সি হোজা ৰাইজৰ সৰ্বনাশ সদায়েই কৰি আছে। তাক মাৰি পেলালে মোৰ ব্যক্তিগত লাভ একোৱেই নাই, কিন্তু ৰাইজৰ লাভ আছে। গতিকে—আনৰ কাৰণে এনেহেন পাপীক দণ্ড দিলে—

মধু মহন্ত

মোৰ কোনো পাপ নহ'ব, বৰং নেদেখাজনে মোক ভালেই পাব।

যেইকোনো কাম কৰাৰ আগতে সুধন্যই মন্দিৰলৈ গৈছিল, আৰু ভগৱানৰ মূৰ্তিক প্ৰণাম কৰি আশীৰ্বাদ বিচাৰি লৈছিল, পাছত কামত ধৰিছিল ; কিয়নো—তাৰে তেওঁৰ আত্ম-বিশ্বাস বাঢ়িছিল।

এইবাৰো সুধন্য মন্দিৰলৈ গ'ল। তেতিয়া মন্দিৰত কোনো মানুহ নাছিল, আনকি পূজাৰীও নাছিল। সুধন্যই বহুতো-পৰলৈ চকু মুদি প্ৰাৰ্থনা জনালে, আৰু তাৰ পাছত এসময়ত যেতিয়া চকু মেলি চালে, তেতিয়া তেওঁৰ সমুখত যোল-সোতৰ বছৰীয়া এজন যুৱাক থিয় হৈ থকা দেখা পালে।



এই যুৱাই সুধন্যক ক'লে, "মই ভগৱান। ব'লা, তোমাৰ সৈতে তোমাৰ ঘৰলৈ যাম মই।"

বিস্মিত সুধন্যই ক'লে, "তুমি—ভগৱান! —তাৰ প্ৰমাণ?"

যুৱাই মিচিকীয়াই হাঁহিলে আৰু সুধন্যক ক'লে, "তুমি যি কাম কৰিবা বুলি খাটাং কৰিছা, সেই কামত সহায় কৰাৰ বাবে মই দিব্যালোকৰপৰা ভূলোকলৈ আহিলোঁ। কিয়নো— কামটি যদিও সৎকাম—তথাপি তুমি সেই কাম সহজ-ভাবে কৰিব নোৱাৰিবা। কিয়নো—মহাপাপীৰো পাপৰ কিছু বল-শক্তি থাকে।" যুৱা ভগৱানে ক'লে।

সুধন্যই ধৰ্মধ্বজক মাৰি পেলোৱাৰ আঁচনিৰ কথা তেওঁৰ নিজৰ বাহিৰে এটা কাকপক্ষীয়েও নাজানিছিল। এওঁ যদি অন্তৰ্যামী নহয়, আৰুনো কি? এওঁ নিশ্চয়েই ভগৱান। সুধন্যই ভগৱানক সাষ্টাংগে প্ৰণাম কৰিলে।

ভগৱানে সুধন্যক ক'লে, "ধৰ্মধ্বজৰ বাহিৰে আন কাকো নক'বা যে মই ভগৱান। কথাটো মনত ৰাখিবা।"

সুধন্যই ভগৱানক ঘৰলৈ লৈ গ'ল।



পাছদিনা ভগৱান আৰু সুধন্য ধৰ্মধ্বজৰ ঘৰলৈ গ'ল আৰু ইকথা-সিকথাৰ অন্তত সুধন্যই ধৰ্মক ক'লে যে কালি তেওঁৰ ঘৰলৈ স্বয়ং ভগৱান আহিছিল।

ধৰ্মধ্বজে ইতিকিঙৰ সুৰতে ক'লে, "হয়নে? স্বয়ং ভগৱান? আঃ! তোমাৰ ঘৰলৈ? তেৰাই দেখাতনো কেনে?"

সুধন্যই ভগৱানলৈ আঙুলিয়ালে।

ধৰ্মধ্বজে ভগৱানৰ মুৰৰপৰা ভৰিলৈকে চকুৰে চেলেকিলে আৰু ভগৱানক সুধিলে, "সঁচানে? তুমিহেনে ভগৱান? যদিহে তুমিয়েই ভগৱান—তেনেহ'লে সোধোঁ—এই জঘন্য সুধন্যৰ ঘৰৰ বাহিৰে আন কোনো ঘৰ নাপালানে সোমাবলৈ?"

"সুধন্য মোৰ মহাভক্ত। গতিকে—তাৰ ঘৰ মোৰেই ঘৰ।" ভগৱান ক'লে।

ধৰ্মই ক'লে, "তুমি যে ভগৱানেই হয়, জানিম কেনেকৈনো মই?

"এতিয়াই জানিব পাৰিবা, বৰ বেছি দেৰী নহ'ব। কোনো লিখালিখি বিনে প্ৰতিদিন দহ হেজাৰকৈ মুদ্ৰা সুধন্যক দহ দিন ধৰি দিবা, আৰু তোমাৰ মুদ্ৰা এশগুণ অধিককৈ ঘুৰাই পাবা। তেতিয়া বুজি পাবা যে মই কোন।"

"এইবোৰ হ'ল মোৰ বিৰুদ্ধে তোমালোকৰ ষড়যন্ত্ৰ। লিখালিখি যদি নাই—টকা-সিকাও নাই। এনেবোৰ মুৰ্খামিত মই নাযেই।" ধৰ্মই ক'লে।

"স্বয়ং ভগৱান যিস্থলত তোমাৰ সাক্ষী, লিখালিখিনো কিহলৈ?" ভগৱানে ক'লে।

ঠিক তেতিয়াই তাত ভূষণ নামৰ মানুহ এজন আহিল। ভূষণৰ পাঁচ হালিচামান মাটি, আৰু ডাঙৰ ঘৰ-দুৱাৰো আছে। ভূষণ পৰোপকাৰী, ধাৰ্মিক, দানী; কিন্তু ধনী নহয়।

ভূষণৰ ঘৰুৱা কামৰ মানুহ দামুৰ ছোৱালীজনীৰ বিয়াৰ আন সকলো ঠিক-ঠাক হ'ল, পিছে ধনৰ অভাৱত আঙঠি পিন্ধোৱাহে নহ'ল; আৰু সেইহে ভূষণে

উধাৰৰ ধন বিচাৰি ইয়ালৈ আহিছিল ধৰ্মধ্বজৰ ওচৰলৈ। ধৰ্মধ্বজে ভূষণৰ বাবে ঋণ-পত্ৰ লিখি যুগুতাই থৈছিলেই।

ভগৱানে ভূষণক ক'লে, "দেখাত—তোমাক পৰোপকাৰী আৰু দানী যেনেই লাগিছে। এটা কাম কৰা, তুমি কোনো ঋণ-পত্ৰ নোহোৱাকৈ সুধন্যক দিনে এহেজাৰকৈ মুদ্ৰা দিয়া দহ দিন ধৰি। তাৰ পাছত এশ গুণে ঘূৰাই পাবা। সকলোখিনি তোমাতেই হ'ব, সুধন্যক মাত্ৰ দহহেজাৰ দিবা।"

"ঠিক আছে, তুমি যেনেকৈ কৈছা, তেনেকৈয়েই কৰিম। পিছে—প্ৰতিদিন এহেজাৰকৈ মুদ্ৰা মই ক'ত পাম?"

"তোমাক ধৰ্মধ্বজেই কৰ্জা দিব।" ভগৱানে ক'লে।

ধৰ্মই কৈ উঠিল, "কৰ্জা-খত নোহোৱাকৈ ধন ধাৰলৈ দিয়াৰ প্ৰশ্নয়েই নুঠে। নিজৰ ঘৰ-দুৱাৰ খেতি-মাটি বন্ধকত থ'লেহে ধন পাবা।"

"কিন্তু ধৰ্মধ্বজক এবাৰতে কৰ্জাৰ ধন পৰিশোধ নকৰিবা। তেতিয়া ভাগ্য তোমাৰ সহায় নহ'ব যে—কথাটো মনত ৰাখিবা।" ভগৱানে ভূষণক ক'লে।

ধৰ্মধ্বজৰ কথা মতে ভূষণে তাক কৰ্জা-খত লিখি দিলে আৰু ধৰ্মধ্বজেও তাক ধন দিলে। ভূষণে ভগৱানৰ কথা মতে তৎক্ষণাৎ সুধন্যক এহেজাৰ মুদ্ৰা বিনা দ্বিধাৰে দিলে।



তেতিয়া ভগৱানে তাক ক'লে "এই কথা গাঁৱৰ সকলোকে ক'বা। আৰু— তুমি প্ৰতিদিন এহেজাৰ মুদ্ৰা নিদিলেও হ'ব—এটা মুদ্ৰা দিলেও হ'ব। সেই এটি মুদ্ৰায়েই একলাখ হৈ যাব। কথা হ'ল ইমানেই যে—তুমি যি দিবা যিমান দিবা —এশগুণে ঘূৰাই পাবা।

এই কথা শুনাৰ পাছত ভূষণ গ'লগৈ।

"তোমালোকৰ মোক মগনিয়াৰ বনাবলৈহে মোৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছা। আৰু তুমি যদি সঁচাকৈয়েই ভগৱান, কিবা অলৌকিক কাম কৰি দেখুৱাচোন।" ধৰ্মই ভুৰু কোঁচাই ভগৱানক ক'লে।

"দেখা তন্তে। মই মোৰ দহো অৱতাৰ দেখুৱাইছোঁ।" ভগৱানে ক'লে।

ধৰ্মধ্বজে ভগৱানলৈ চাই থাকিল; কিন্তু তেওঁৰ মাজত কোনো ধৰণৰ পৰিৱৰ্তন তাৰ চকুত নপৰিল। কিন্তু সুধন্যই ভগৱানৰ দশাৱতাৰ দেখা পাই বিমোহিত হ'ল আৰু আবেগেৰে ভগৱানৰ স্তুতি-গীতিৰূপী শ্লোক আওৰাবলৈ ধৰিলে।

"এইবোৰ চব — ভুৱাবাজী কাণ্ড-কাৰ্যনা। তোমালোকে মোক বুৰ্বক বনাইছা। তোমালোক ইয়াৰপৰা গুচা।"

ধৰ্মধ্বজে চিঞৰি-বাখৰি এনেকৈ কোৱাত সুধন্য আৰু ভগৱান তাৰপৰা তৎক্ষণাৎ গুচি গ'ল।

সেইদিনাই গধূলিপৰতে ধৰ্মধ্বজৰ ঘৰৰ আগত মানুহৰ ভিৰ লাগি পৰিল। সকলোটিয়েই কৰ্জা-খত লিখি দি ধৰ্মৰ ধন ধাৰলৈ লৈ সুধন্যক দি আছিল। চাওঁতে চাওঁতে সুধন্যৰ ঘৰ ধনেৰে ভৰি পৰিল।

সুধন্যই ভয়-খাই ভগৱানক ক'লে, "এইবোৰ কথা-কাণ্ড মই একোৰেই ঠাৱৰ কৰিব পৰা নাই। এটা সুতখোৰক মাৰিবলৈ ইমান আয়োজনৰ প্ৰয়োজন কি —তাকো বুজা নাই মই। তোমাৰ নিমিত্তেই ধৰ্মধ্বজ আগতকৈয়ো ধনী হ'ব আৰু যিবিলাকে তাৰপৰা ধাৰলৈ ধন

লোৱা হৈছে সিবিলাক দুখৰ সাগৰত উটিব যেন পাইছোঁ। ধৰ্মধ্বজক ধৰ্মাচৰণ শিকোৱাৰ বাবে তোমাৰ পৰিকল্পনা ভেস্তি গ'ল যেন বোধ হৈছে।" সুধন্যই ভগৱানক ককৰ্থনা কৰি ক'লে।

মৃদুকৈ হাঁহিৰে ভগৱানে ক'লে, "মই ধৰ্মধ্বজক প্ৰতাৰণা কৰিবলৈ নিবিচাৰোঁ। মই তাক যি কথা কৈছিলোঁ, সঁচাকৈ কৈছিলোঁ। দহ লাখ মুদ্ৰাক দহ কৌটি মুদ্ৰালৈ ৰূপান্তৰিত কৰাৰ উপায় দিছিলোঁ তাক। আৰু দহ দিন সময় আছে। চাওঁ, তাৰ মাজত কিবা পৰিৱৰ্তন হয়নে কি।"

দহ দিন পাৰ হ'ল। তেতিয়া ভগৱানে সুধন্যক ক'লে, "আৰু অলপ সময়ৰ পাছত সকলোটিৰ ধন এশগুণ হ'ব। কথা দিয়া মতে সকলোকে এশগুণকৈ ধন দিবা। সকলোটিক দিয়াৰ অন্তত যিখিনি থাকিব, তাৰে তোমাৰ পুত্ৰ-পৰিবাৰ, আৰু তাৰো পুত্ৰ-পৰিবাৰ সুখেৰে জীৱন কটাব পাৰিবা। মোৰ এতিয়া ইয়াত আৰু অতি সমান্য কাম কৰিবলৈ আছে, তাৰ পাছত মই যামগৈ।" এই বুলি কৈ, ভগৱান ধৰ্মধ্বজৰ ঘৰলৈ গ'ল।

ধৰ্মধ্বজে ভগৱানক ক'লে, "তোমাৰ খেল খতম হ'ল। এতিয়া ইয়াৰপৰা গুচা, নহ'লে তোমাক শিল দলিয়াই খেদিম।"

ভগৱানে হাঁহিলে আৰু ক'লে, "মই কোন—এতিয়াও নাজানিলা। এয়া চোৱা—মোৰ কৃষ্ণাৱতাৰ।"

ধৰ্মধ্বজে ভগৱাৰ কৃষ্ণাৱতাৰ প্ৰত্যক্ষ কৰি অভিভূত হৈ পৰিল আৰু সুধিলে, "তুমি সঁচাকৈয়ে ভগৱাননে?"

ভগৱানে এই কথাৰ উত্তৰ নিদিয়াকৈ তৎক্ষণাৎ নেদেখা হৈ পৰিল।

এই অভাৱিত ঘটনাৰ পাছত ধৰ্মধ্বজে সুতখোৰীৰ কাৰবাৰ এৰি প্ৰকৃত ধাৰ্মিক জীৱন যাপি দান-ধৰ্মৰে আৰু শান্তিৰে জীৱন অতিবাহিত কৰিছিল।

লাভৰ হিচাপ

ৰাজধানীত যুৱৰাজৰ জন্মদিনৰ উছৱ। যুৱৰাজক চাবলৈ গাঁৱৰপৰা ভাস্কৰ আৰু ৰুদ্ৰ নামৰ ভোদা-ভেলেঙা দুজন যুৱক ৰাওনা হ'ল। গাঁৱলীয়াই দুয়োকো ক'লে যে ৰাজধানীত খোজেপতি দগাবাজ, গতিকে দগাবাজইঁতৰপৰা সাৱধান।

দুয়ো ৰাজধানী পালেগৈ। গোটেই দিনটোৱেই যুৱৰাজৰ জন্মোৎসৱৰ সমাৰোহ চোৱাত ব্যস্ত হৈ থাকিল সিহঁত। সিহঁতে ৰাজপ্ৰাসাদো চালে আৰু ৰাজপ্ৰাসাদৰ সৌন্দৰ্য্যই সিহঁতক মোহিত কৰি পেলালে। ৰাজপ্ৰাসাদত তথা অন্তেষপুৰত থকা ৰং-বিৰঙী খিৰিকীবোৰ সিহঁতে গণ্তি কৰি থাকিল : এক দুই তিনি সাত যোল্ল, এঁকৈছ বাইছ... ।

এনেতে দীঘল মোচ থকা মানুহ এজনে সিহঁত দুটাক সুধিলেহি, "কিমান খিৰিকী গণ্তি কৰিলা ?"

ভাস্কৰে ভয়তে ক'লে, "যোল্ল—।"

"দিয়া তেন্তে যোল্ল টকা।" দীঘল মোচীয়াই ক'লে।

ভাস্কৰে তাৰ মোনাৰপৰা উলিয়াই আনি টকা যোল্লটা দীঘল মোচীয়াক দিলে আৰু টকাখিনি পায়েই দীঘল-মোচীয়াই দীঘলঠেঙীয়া হৈ গুচি গ'ল।

তেতিয়া ৰুদ্ৰই খীণ মাতেৰে ক'লে, "দেখিলানে ভাস্কৰ, দগাবাজে কেনেকৈ দগৰদঁহা দি গ'ল!"

ভাস্কৰে ক'লে, "মই খিৰিকী গণ্তি কৰিলোঁ বাইছখন, কিন্তু দিলোঁ তাক যোল্ল টকা ; গতিকে—আমাৰ ছটকা লাভহে হ'ল!"

—জহৰ ভঁৰালী

অতুল সুন্দৰী

৭

[আগৰ কথা : ট্ৰয়-অভিযানকাৰী গ্ৰিক-সৈন্যশিবিৰত অন্তঃকলহই মূৰ দাঙিলে। গ্ৰীক বীৰ বজ্ৰকায় গ্ৰিক-সৈন্যশিবিৰ পৰিত্যাগ কৰি গুচি গ'ল। আৰু তেতিয়া সেই ছেগতে ট্ৰোজানসৈন্যই গ্ৰিকসৈন্যক সমুচিত শিক্ষা দিলে। ট্ৰোজান সৈন্যইতে গ্ৰিক যুদ্ধ জাহাজত জুই লগালে। কিন্তু গ্ৰিকসৈন্যৰ ওপৰত এই অবৰ্ণনীয় অত্যাচাৰ সহিব নোৱাৰি বিদ্ৰোহী বজ্ৰকায় ট্ৰোজানইতৰ মহাবীৰ বীৰসিংগাক হত্যা কৰিলে। আৰু তাৰ পাছত ট্ৰয়-ৰাজকুঁৱৰী প্ৰমোদিনীৰ প্ৰেম-চক্ৰান্তৰ চিকাৰ হৈ বিৰাট গ্ৰিকবীৰ বজ্ৰকায়ে মাহনৰ হাতত প্ৰাণ বিসৰ্জিলে। আৰু তাৰ পাছত…]

বজ্ৰকায়ৰ মৃত্যুৰ অন্তত বজ্ৰকায়ৰ মাতৃ তাৰিণীয়ে পুত্ৰৰ অস্ত্ৰ-শস্ত্ৰ কবচাদি গ্ৰিকৰ সৰ্বোত্তম যোদ্ধাক প্ৰদান কৰাৰ কথা ঘোষণা কৰাত গ্ৰিক বীৰইতৰ মাজত উঠুলি-মুঠুলি লাগি পৰিল। সৰ্বশেষত স্থিৰ হ'ল যে ভূধৰ আৰু ৰূপধৰৰ মাজত কোনোবা এজনে বজ্ৰকায়ৰ অস্ত্ৰাদি আৰু কবচ পাওক। কোনেও এই প্ৰস্তাৱত আপত্তি নদৰ্শালে।

কিন্তু এই দুজনৰ মাজত শ্ৰেষ্ঠ বীৰ কোন জন? ৰাৰাজাই এই কথাৰ চয়-নিচয় কৰিব নোৱাৰি একপ্ৰকাৰে চৰ-খৰীয়াতহে পৰিল আৰু এই বিষয়ে জ্ঞান-বৃদ্ধ নৰোত্তমৰ পৰামৰ্শ প্ৰাৰ্থনা কৰিলে।

"আমাৰ বীৰতাৰ কথা আমাতকৈয়ো আমাৰ শত্ৰুইতেহে ভাল জানিব। গতিকে

—এই বিষয়ে শত্ৰুপক্ষৰ মতামত জানিব লাগে। ৰাতিৰ পৰতে আমাৰ গুপ্তচৰে শত্ৰুপক্ষৰপৰা এই কথাৰ ভু লওকগৈ।" বৃদ্ধ নৰোত্তমে ৰাৰাজাক পৰামৰ্শ দিলে।

গ্ৰিক গুপ্তচৰ ট্ৰয়ৰ দুৰ্গৰ আশে-কাষে ৰাতিৰ এন্ধাৰৰ গাত ভেজা দি ঘূৰা-ফুৰা কৰি থাকিল। হঠাৎ এঠাইত বিশেষ কক্ষ এটাত নাৰীকণ্ঠৰ কথোপকথন শুনি গুপ্তচৰ গুণাঢ্য ৰৈ গ'ল আৰু কাণ-সৰালি যাৰি তাত থিয় হৈ থাকিল।

এজনী ট্ৰোজান যুৱতীয়ে কৈ আছিল, "আমাৰ বীৰহঁতে যিমানেই বাহাদুৰি নকৰক, গ্ৰিক বীৰ ভূধৰৰ তুলনা নাই। ইমান ট্ৰয়বীৰৰ বাধাক ফুতে উৰাই বজ্ৰকায়ৰ মৃতদেহ বীৰ ভূধৰে কান্ধত কঢ়িয়াই লৈ গুচি গ'ল। এই বীৰত্বৰ তুলনা নাই।"

আন এজনী যুৱতীয়ে টপৰকৰে কৈ উঠিল, "কিন্তু—কান্ধত মৃতদেহ কঢ়িয়াই নিয়াত বাহাদুৰিনো কি? বীৰবো বীৰ ৰূপধৰে। ভূধৰক ৰক্ষা নকৰাহেঁতেন ভূধৰে বজ্ৰকায়ৰ মৃতদেহ লৈ যাব নোৱাৰিলেহেঁতেন। গতিকে শ্ৰেষ্ঠ বীৰ—ৰূপধৰ।"

গুপ্তচৰ গুণাঢ্যই এই সমাচাৰ ৰাৰাজাক দিলেহি। তেতিয়া ৰাৰাজাই বজ্ৰকায়ৰ অস্ত্ৰ-শস্ত্ৰ ৰূপধৰক দিলে।

আৰু এই কথাত ভূধৰে বেয়াকৈ অপমানিত বোধ কৰিলে। অপমানিত

ভূধৰ ৰাৰাজাৰ প্ৰতি অতিপাত ক্ষুব্ধ-ক্ৰুদ্ধ হৈ উঠিল। কিন্তু ক্ৰুদ্ধ হোৱা সত্বেও কাকো হত্যা কৰাৰ চেষ্টা নকৰি ক্ষুব্ধ আবেগত ভূধৰ নিজেই আত্মঘাতী হ'ল।

*

বজ্ৰকায়ৰ মৃত্যুৱে গ্ৰিক শিবিৰক হতাশাৰ অন্ধকাৰক আৰু নিকপকপীয়া কৰি তুলিলে। এনে পৰিস্থিতিত প্ৰখ্যাত জ্যোতিষী কিংশুকে ভৱিষ্যদ্বাণী কৰিলে: "লিমনোছ দ্বীপৰ শাসক হ'ল ধনধৰ। ধনধৰৰ ওচৰত আছে দেৱপ্ৰদত্ত ধনুৰ্বাণ। এই ধনুৰ্বাণৰ সহায়তা পালেহে ট্ৰয় বিজয় হ'ব, নতুবা গ্ৰিকৰ পৰাজয় অৱধাৰিত।"

এই কাৰ্য্য সাধিবলৈ, অৰ্থাৎ লিমনোছ দ্বীপৰ শাসক ধনধৰৰ দেৱ-প্ৰদত্ত ধনুৰ্বাণ যেনেকৈয়েই নহওক লৈ আহিবলৈ ৰাৰাজাই ৰূপধৰ আৰু দেৱময়ক জাহাজ-যোগে লিমনোছ দ্বীপলৈ প্ৰেৰণ কৰিলে।

লিমনোছ দ্বীপ পাই ৰূপধৰ আৰু দেৱময়ে শুনিলে যে ধনধৰ পীড়িত।

কুটিল-জটিল উপায়েৰে কাৰ্য্যোদ্ধাৰ কৰাত ৰূপধৰ আছিল সুদক্ষ। ৰূপধৰে এই ক্ষেত্ৰত মুখৰ মেহাৰেৰে কাৰ্য্যোদ্ধাৰ কৰাৰ আঁচনি পাঙিলে; কিন্তু দেৱময়ে এনেধৰণৰ কুট-কৌশল ভাল নাপালে।

দেৱময়ে ৰূপধৰক ক'লে, "আমাৰ কথা আৰু কাম সম্ভ্ৰমপূৰ্ণ হ'ব লাগে। কাৰোবাৰ দুৰ্বলতাৰ সুযোগ লৈ নিজৰ



কাৰ্য্যসিদ্ধি-স্বাৰ্থসিদ্ধি ভদ্ৰতাসম্পন্ন নহয়। তাৎক্ষণিকভাবে লাভদায়ী হ'লেও ভৱিষ্যতত হানিকৰ বুলিয়েই প্ৰমাণিত হয়। গতিকে—কোনো অসততাৰ আশ্ৰয় লোৱাতকৈ আমাৰ প্ৰয়োজনৰ বক্তব্য পোনপটীয়াকৈ কৈ, তেওঁৰপৰা সহায় প্ৰাৰ্থনা কৰাটোহে ভাল।"

ইপিনে—দেৱতাই ধনধৰক সপোনত দেখা দিলে আৰু ক'লে, "তুমি ট্ৰয়লৈ যোৱা। সেই যুদ্ধত তুমি কীৰ্ত্তিমান হ'বা আৰু তোমাৰ যথেষ্ট লাভ হ'ব। তুমি আৰু বজ্ৰকায়ৰ পুত্ৰ নৰবোধ—দুয়ো একত্ৰ হৈ যুদ্ধ কৰি ট্ৰয় অধিকাৰ কৰি সুৱৰ্ণ-খ্যাতিৰ অধিকাৰী হোৱাগৈ। মনত ৰাখিবা, তোমালোকৰ অবিহনে কোনেও ট্ৰয় নগৰীৰ পতন কৰিব নোৱাৰে।"

দেৱতাৰ আদেশ অনুসাৰে দেৱ প্ৰদত্ত ধনুৰ্বাণৰে সৈতে ধনধৰ গ্ৰিক সৈন্যবাহিনীৰ লগ লাগিলগৈ। গ্ৰিক শিবিৰত উচ্চশ্ৰেণীৰ চিকিৎসকসকলে ধনধৰক অসুস্থতাৰপৰা পূৰ্ণ সুস্থ কৰি তুলিলে।

তাৰ পাছত এদিন ধনধৰে ট্ৰোজান বীৰ মোহনক ধনুৰ্যুদ্ধলৈ আহ্বান জনালে আৰু মোহনেও সেই আহ্বান গ্ৰহণ কৰিলে।

সেই প্ৰলয়ংকৰ ধনুৰ্বাণৰ যুদ্ধত দুয়ো সমানে সমানে যুঁজি থাকিল। কিন্তু এসময়ত মোহনৰ সোঁ হাতত ধনধৰৰ বাণে বিন্ধিলেগৈ। আৰু ধনধৰৰ আন এপাট বাণে মোহনৰ চকুত বিন্ধিলেগৈ।

এইদৰে, মোহনৰ হাতত বাহুত চকুত আৰু পদদ্বয়তো যেতিয়া বাণ বিদ্ধ হ'ল, তেতিয়াও মোহন বীৰতাৰে যুঁজিয়েই থাকিল। কিন্তু এসময়ত আৰু সহ্য কৰিব নোৱাৰি মোহন দৌৰি পলাল আৰু ট্ৰয় দুৰ্গত থকা বিশিষ্ট চিকিৎসকসকলে মোহনৰ জীৱন ৰক্ষাৰ কাৰণে বনৌষধি লৈ আহিবলৈ কিছু দূৰস্থিত পৰ্বতলৈ বুলি ওলাল। কিন্তু পৰ্বতৰপৰা ঔষধি লৈ আহি নৌ পাওঁতেই—মোহনৰ মৃত্যু হ'ল।

আৰু মোহনৰ মৃত্যুৰ পাছত—অতুলসুন্দৰী এতিয়া কাৰ হ'ব সেই কথাত—মোহনৰ দুজন ভায়েক চন্দ্ৰ আৰু অৰিভয়ংকৰৰ মাজত যুঁজ লাগি পৰিল। এই যুদ্ধত অৰিভয়ংকৰ বিজয়ী হ'ল, আৰু ট্ৰয়ৰাজ মৰ্দনেও অৰিভয়ংকৰলৈ তেওঁৰ সমৰ্থন জনালে।

কিন্তু অতুলসুন্দৰীয়ে এই কথা নাপাহৰিলে যে তেওঁ হ'ল স্পাৰ্টাৰ ৰাণী আৰু মোহনৰ পত্নী। তেওঁ এদিন গ্ৰিকসকলৰ শিবিৰলৈ ঘোৰাৰ মনেৰে ৰাতিৰ পৰতে দুৰ্গৰ প্ৰাচীৰৰপৰা ৰছী এডাল ওলোমাই দিলে সেই ৰছী বগাই তললৈ নামিবলৈ। কিন্তু দুৰ্ভাগ্য তেওঁৰ, প্ৰহৰী এজনে এই ঘটনা দেখা পাই তেওঁক ধৰা পেলাই ৰাজপ্ৰাসাদলৈ লৈ গ'ল, আৰু অৰিভয়ংকৰে অতুলসুন্দৰীক তেওঁৰ ইচ্ছাৰ বিৰুদ্ধেই বিবাহ কৰিলে।

এই ঘটনাত চন্দ্ৰ বিৰক্ত হ'ল আৰু ট্ৰয় নগৰ এৰি এড়া পৰ্বতলৈ গুচি গ'ল।

কিংশুক জ্যোতিষীয়ে ৰাৱাজাক ক'লে যে যেনেকৈয়েই নহওক চন্দ্ৰক বন্দী কৰিব লাগে আৰু তেওঁৰপৰা ট্ৰয়-ৰহস্য জানি ল'ব লাগে, তেহে ট্ৰয় জয় কৰিব পৰা হ'ব, নতুবা কদাপি নহ'ব। ৰাৱাজাই ৰূপধৰক এই কামৰ দায়িত্ব দিলে।

"চন্দ্ৰই ট্ৰয়ৰ নিৰাপত্তা-ৰহস্যৰ সকলো কথা জ্ঞাত। এই ৰহস্য ভেদ কৰিব



পাপৰ প্ৰায়শ্চিত্ত অদ্যাপি নহ'ল। যিকোনো ঠাইত যদি মোৰ নিৰাপদ আশ্ৰয়ৰ ব্যৱস্থা হয়, তেনেহ'লে মই ট্ৰয়-ৰহস্য প্ৰকাশ কৰিবলৈ সাজু।"

ৰূপধৰে আনন্দৰে সৈতে চন্দ্ৰৰ নিৰাপত্তাৰ পূৰ্ণ আশ্বাস দিলে, আৰু তেতিয়া চন্দ্ৰই ৰূপধৰক ক'লে, "অহা জহকালি ট্ৰয়ৰ পতন সুনিশ্চিত। কিন্তু তাৰ আগতে তিনিটা বিশেষ কাম কৰিব লাগিব। প্ৰথমতে—পিশ্বাত ভূম্ৰমুখৰ ৰাজহাড় আছে, পিশ্বাৰপৰা সেই ৰাজহাড় লৈ আহিব লাগিব ; দ্বিতীয়তে—বজ্ৰকায়-পুত্ৰ নৰয়োধক যুদ্ধক্ষেত্ৰলৈ লৈ আহিব লাগিব ; আৰু — তৃতীয়তঃ ট্ৰয়ৰ বুদ্ধিদেৱীৰ মূৰ্তি অপহৰণ কৰি লৈ অহিব লাগিব। এই মূৰ্তি ট্ৰয় নগৰীৰ বাহিৰ নকৰালৈকে কোনেও কোনোপধ্যেই ট্ৰয়-নগৰীৰ প্ৰবেশ-দ্বাৰ ভগ্ন কৰিব নোৱাৰিব। পাৰিলেই গ্ৰিকসকলে ট্ৰয় অধিকাৰ কৰিব। গতিকে—চন্দ্ৰ গ্ৰিকৰ কাৰণে হ'ব এক প্ৰত্যক্ষ আশীৰ্বাদ, আৰু সেইহে তাৰ যেনেকৈয়েই নহওক ধৰিব লাগে।"

চন্দ্ৰ সূৰ্য্যমন্দিৰত আছিলগৈ হেমাৰ পিতাকৰ অতিথি হৈ। ৰূপধৰে চন্দ্ৰক বিচাৰি গৈ গৈ সূৰ্য্যমন্দিৰ পালেগৈ।

ৰূপধৰে চন্দ্ৰৰ সৈতে অতি সৌজন্য-মূলক সহৃদয় ব্যৱহাৰ কৰিলে। এসময়ত চন্দ্ৰই ক'লে, "মই কোনো আবেগৰ বশৱৰ্তী হৈ ইয়ালৈ আহা নাই। এই মন্দিৰতে মোহনে প্ৰতাৰণা কৰি বজ্ৰকায়ক হত্যা কৰিছিল। মোৰ ক্ষোভ—সেই

চন্দ্ৰই এইদৰে ট্ৰয়-ৰহস্যৰ ভেদ ভাঙি দিলে আৰু এই ৰহস্য জ্ঞাত হোৱাৰ লগে লগেই ৰাৰাজাই পিশ্বালৈ মানুহ পঠিয়াই ভূম্ৰমুখৰ ৰাজহাড় লৈ আহিল, বজ্ৰকায়ৰ বাৰ বছৰীয়া পুত্ৰ নৰবোধ ৰূপধৰ আৰু ৰক্তবৰ্ণক পঠিয়াই মতাই অনালে ; আৰু ট্ৰয়-নগৰীৰ বুদ্ধিদেৱী মূৰ্তি অপহৰণ কৰাৰ দায়িত্ব ৰূপধৰ আৰু দেৱময়ক সঁপিলে।

ৰূপধৰে দেৱময়ক ক'লে তেওঁক প্ৰহাৰ কৰিবলৈ। দেৱময়ে ৰূপধৰক প্ৰহাৰ কৰি কৰি তেজ উলিয়াই দিলে, আৰু তেতিয়া ৰূপধৰ আশ্ৰয়প্ৰাৰ্থীৰূপে ট্ৰয় নগৰী পালেগৈ।

কেৱল অতুলসুন্দৰীয়ে ৰূপধৰক চিনি পালে। অতুলসুন্দৰীয়ে ৰূপধৰক নিজৰ প্ৰাসাদলৈ লৈ গ'ল আৰু যথোচিত আদৰ-যত্নৰে খুৰাই-বুৰাই তাৰ পাছত ক'লে, "মই এজনী বন্দিনীৰ দৰে ইয়াত আছোঁ। মই নিজৰ দেশলৈ যাবলৈ ইচ্ছুক। মোৰ এই ইচ্ছাৰ কথা মোৰ শাহুৱেৰাইহে কেৱল জানে। আৰু—"

আৰু ঠিক তেতিয়াই মহাৰাজ মৰ্দনৰ পত্নী অতুলসুন্দৰীৰ শাহুৱেক তালৈ আহিল, আৰু তেওঁক তাত দেখা পাই ৰূপধৰ উচপ খাই উঠিল। কিন্তু ৰূপধৰে তৎক্ষণাৎ তেওঁৰ ভৰি ছুই প্ৰণাম কৰি কাতৰ আবেদন জনোৱাত তেওঁ ৰূপধৰৰ আগমনৰ কথা কাকো নক'বলৈ কথা দিলে আৰু নিৰাপদে উভতি যোৱাৰ বন্দৱস্ত কৰিলে।

আৰু উভতি আহোঁতে—ৰূপধৰে ট্ৰয় নগৰীৰ বুদ্ধিদেৱীৰ মূৰ্তি অপহৰণ কৰি লৈ আহিল আৰু ট্ৰয় নগৰীৰ প্ৰাচীৰৰ বাহিৰত থিয় হৈ থকা দেৱময়ৰ হাতত বুদ্ধিমতী মূৰ্তিক গটাই দিলে।

বাটত ৰূপধৰৰ মূৰত এক দুৰ্বুধিয়ে বাহ ল'লে। ৰূপধৰে ভাবিলে : এই মূৰ্তি অপহৰণৰ গৌৰৱ কেৱল মইহে পাব লাগে। এই কথা ভাবি এখোজ পিছুৱাই ৰূপধৰে দেৱময়ক হত্যা কৰিবলৈ তৰোৱাল উলিয়ালে আৰু দেৱময়ে ৰূপধৰৰ মনোভাৱৰ উমানতে ধৰিব পাৰি ৰূপধৰৰ তৰোৱাল তাৰ হাতৰ পৰা ওফৰাই পেলাই তাৰ হাত কটকটীয়াকৈ বান্ধি তাক প্ৰহাৰ কৰি কৰি শিবিৰলৈ বুলি খোজ ল'লে।

[আগলৈ

চান্দমামা-সম্বাদ

কেৱল তিনি, তথাপি নহয় মিনি!

যোৱা ফেব্ৰুৱাৰি-মাৰ্চত দেশৰ অ'ত ত'ত যি নিৰ্বাচন অনুষ্ঠিত হৈছিল, অৰুণাচলেও তাৰ অন্যতম। অৰুণাচলৰ কামেং জিলাৰ অন্তৰ্গত ত্ৰিছিনো বুৰাগন নিৰ্বাচনক্ষেত্ৰত চাক্কু নামৰ এখন গাঁও আছে, যিখন গাঁৱলৈ যাবলৈ জংগলৰ মাজেদি তিনদিন ধৰি খোজ কাঢ়ি যাব লাগে। কিন্তু নিৰ্বাচন বোলা কথা, ভোট-পত্ৰ, চিয়াহী, ভোট বাকচ আৰু অন্যান্য ইটো-সিটো লৈ অফিছাৰ-কৰ্মীয়ে মিলি বুজনসংখ্যক নিৰ্বাচন-অধিকৰ্ত্তাৰ দল এটি তালৈকে গ'ল। কিন্তু তাত মতদাতাৰ সংখ্যা আছিল সৰ্বমুঠ তিনিজনহে!

চালক নথকা উৰাজাহাজ!

ফেব্ৰুৱাৰি মাহৰ ২৬-ৰ দিনা আমেৰিকাৰ হেওৱাৰ্ডৰপৰা এখন জেপেলিন-উৰাজাহাজ আকাশত উৰিল ১০ মিটাৰ উচ্চতা পোৱাৰ পাছত হাৰ্ট অ্যাটাক হৈ চালকৰ মৃত্যু হ'ল। তিমানতে উৰাজাহাজখনে ৩০০০ মিটাৰ উচ্চতা



পাইছিলগৈ। গতিকে—এইবাৰ যে ক'ৰবাত ঘৰ-দুৱাৰ ভাঙি উৰাজাহাজখন ধ্বংস হ'ব—সেই কথা বিমান কৰ্তৃপক্ষই অৱধাৰিত বুলি মানি ল'লে। কিন্তু চালকহীন উৰাজাহাজখন উত্তৰ ক্যালিফ'ৰ্নিয়াৰ এক নিৰ্জন নিমাও-মাও ঠাইত লাহেকৈ আৰু নিৰাপদেই অৱতৰণ কৰিছিল!

জোলোঙাৰ মেকুৰী!

বাংলাদেশৰ ৰাজধানী ঢাকাৰপৰা চান্দপুৰৰ দূৰত্ব ৬৫ কি. মি.। ডাকবিভাগৰ চিঠি-পত্ৰ থৈলাৰ ভিতৰত কেনেবাকৈ এজনী মেকুৰী সোমাই গৈছিল। যেতিয়া সেই থৈলা চান্দপুৰৰ ডাকঘৰত খোলা হ'ল, তেতিয়া মেও মেওকৈ মাত লগাই থৈলাৰপৰা একে-জাঁপে ওলাই আহি সকলোকে বিবুদ্ধিত পেলালে। থৈলাটো বন্ধাৰ সময়ত, বা চান্দপুৰলৈ আহোঁতে তাই কিন্তু টু শব্দটিও কৰা নাছিল! তাই যে থৈলাত সোমাইছিল কেনেকৈ — ডাক-কৰ্তৃপক্ষই বহু ভাবিও সেইটি কথা উলিয়াব নোৱাৰিলে!

চফা চবুজ!

আণ্টাৰ্কটিকাৰ নাম ল'লেই চকুৰ আগত ভাহি উঠে—বৰফ আৰু বৰফ। ইয়াত ম্যাক্‌মাৰডি ষ্টেশ্যন নামৰ এখন অতি ক্ষুদ্ৰ চহৰ আছে, যিখন চহৰৰ লোকসংখ্যা জহৰ দিনত ১২০০ আৰু জাৰৰ দিনত ২০০। এওঁলোকে এওঁলোকৰ জাবৰ-জোথৰ য'তে ত'তে পেলাইছিল আৰু সামুদ্ৰিক পক্ষীবিলাকে সেইৰোৰ জাবৰ-জোথৰ খাই-ছটিয়াই গোটেই চহৰখন লেতেৰা কৰি তুলিছিল। তাৰ পাছত পৰিবেশ বিশেষজ্ঞসকলৰ পৰামৰ্শত এই অৱস্থাৰ পৰিবৰ্তন হ'ল। এতিয়া ম্যাকমাৰডি চফা আৰু সবুজ। যদিও সেউজ বৰ বেছি নোপজে তাত।

পৰাজয়ৰ জয়

প্ৰতিজ্ঞাৱদ্ধ ৰজা বিক্ৰমাদিত্য তথাপি নদমিল। পুনৰ গছৰ ডালৰপৰা মৃতদেহটো নমাই আনি কান্ধত পেলাই লৈ কিন-কিনীয়া বৰষুণ আৰু ঘোৰ অন্ধকাৰ ভেদি ভূত-পিশাচৰ আবাসস্থল মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, যিকোনো কাৰ্য্যত বিজয়ী হোৱাটো নিশ্চয় ভাল ; কিন্তু কেতিয়াবা কেতিয়াবা পৰাজয়ও ভাল হয়। তুমিও ৰাজকুঁৱৰী চন্দ্ৰৰেখাৰ দৰে পৰাজয়কে জয় বুলি মানি লোৱাহেঁতেন কিজনি তোমাৰ ভাল হ'ল-হেঁতেন। ৰাজকুঁৱৰী চন্দ্ৰৰেখাৰ কাহিনী শুনি তোমাৰ কিবা লাভ হ'বনে কি ক'ব নোৱাৰোঁ, যদিও এই কাহিনী শুনি শুনি গৈ থাকিলে তোমাৰ পথশ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে সেই কাহিনী ক'বলৈ ধৰিলেঃ

'বেতাল-কথা'

কনকপুৰ ৰাজ্যৰ ৰজা আছিল জয়কেতন. আৰু তেওঁৰ এক মাথোন পুত্ৰী অপৰূপা সুন্দৰী চন্দ্ৰৰেখা আছিল এজনী সৰ্বগুণান্বিতা ছোৱালী। ঘাইকৈ দবা খেলত চন্দ্ৰৰেখা আছিল অদ্বিতীয়া। স্বয়ং ৰজা জয়কেতনদেৰও দবাখেলত নিপুণ. কিন্তু চন্দ্ৰৰেখাৰ তুলনা নাই. যদিও মহাৰাজেই জীয়েকক এই খেল শিকাইছিল।

ৰাজকুঁৱৰী চন্দ্ৰৰেখা এদিন বিব্যহ যোগ্য হ'ল। এতিয়া মাজে-মধ্যেই ৰাজকুঁৱৰীৰ বিয়াৰ কথা আলোচনা কৰা হয়। এই প্ৰসংগতে এদিন ৰাজকুঁৱৰী চন্দ্ৰৰেখাই পিতৃক ক'লে, "পিতাশ্ৰী, মোক যিজন ৰাজকোঁৱৰে দবা খেলাত পৰাজিত কৰিব পাৰিব, সেইজনক মই পতিৰূপে বৰিম। কিন্তু কিছু চৰ্ত আছে। যিজন মোৰ লগত খেলি পৰাজিত হ'ব, সেইজনে সৌকাৰ দহ কোৰ খাব লাগিব। কিন্তু যদি সেইজনে দ্বিতীয়বাৰ খেলিবলৈ মনস্থ কৰে, তেনেহ'লে সৌকাৰ কোৰ খাব নালাগে. যদিও দ্বিতীয়বাৰো পৰাজিত হয় যদি—জীৱনত কোনো এজনীকো বিবাহ নকৰাব বুলি কুলদেৱতাৰ নামত শপত খাব লাগিব ; আৰু যদি পুনৰ তৃতীয়বাৰ খেলে আৰু পৰাজিত হয়, তেনেহ'লে তেনেহেন দুঃসাহসৰ দণ্ডস্বৰূপে প্ৰাণদণ্ড মানি ল'ব লাগিব।"

শুনি মহাৰাজ জয়কেতন যদিও বিস্মিত হ'ল. তথাপি ৰাজকুঁৱৰীৰ বিবাহৰ এইচৰ্ত ঘোষণা কৰোৱালে।

যদিও এনেহেন চৰ্ত যথেষ্ট অসন্মানকৰ, তথাপি কিছু দুঃসাহসী ৰাজকোঁৱৰে এই উদ্ধতা ৰাজকুঁৱৰীক সমুচিত শিক্ষা দিবৰ মনেৰে দবা খেলিবলৈ আগুৱাই আহিল। কিন্তু একে একে সকলো ৰাজকোঁৱৰেই পৰাজিত হ'ল আৰু সৌকাৰ কোৰ খাই পেট ভৰাই তলমূৰ হৈ গুচি গ'ল, কোনো এজনেও দ্বিতীয়বাৰলৈ খেলাৰ সাহস নকৰা হ'ল। আৰু এইদৰে, ৰাজকুঁৱৰীৰ

যোগ্য দবাও বিচাৰি পোৱা নগ'ল।

এই চৰ্তত পতিলাভৰ আশা যেতিয়া নাইকিয়া হ'ল, তেতিয়া চাৰুশীলা নগৰৰ ৰাজকোঁৱৰ সূৰ্য্যতেজ হঠাৎ এদিন কনকপুৰৰ ৰাজধানীলৈ আহিল, আৰু ৰাজকুঁৱৰীৰ সৈতে দবাখেলৰ প্ৰস্তাৱ দিলে।

ৰাজকোঁৱৰ সূৰ্য্যতেজে ৰাজকুঁৱৰী চন্দ্ৰৰেখাৰ অপৰূপ ৰূপ-সৌন্দৰ্য্যৰ, তথা অন্যান্য গুণৰ কথা, আৰু দবা খেলত অদ্বিতীয়তাৰ কথাও নজনাকৈ নাছিল। তেতিয়া ৰাজকোঁৱৰ সূৰ্য্যতেজে দবা খেল প্ৰকৃতাৰ্থত নাজানিছিল। কিন্তু তেওঁ দবা খেলৰ প্ৰতি আকৃষ্ট হৈছিল আৰু বিশ্বনাথ নামৰ এগৰাকী নামী দবা শিক্ষকৰপৰা যথোপযুক্তভাবে দবাখেল শিক্ষা কৰিছিল।

খেলি থাকোঁতে ৰাজকোঁৱৰে ৰাজকুঁৱৰীৰ অপৰূপ সৌন্দৰ্যলৈ বাৰে বাৰে চাই আছিল, আৰু তাৰ ফলত খেলত কিছু কিছু ভুলও নোহোৱাকৈ নাছিল; কিন্তু তথাপি খেলাত পুৰাপুৰিকৈ মনঃসংযোগ কৰিব নোৱাৰিলৈ। আৰু তাৰ ফলত সেই অনিবাৰ্য্য ফল হ'ল, ৰাজকোঁৱৰ সূৰ্য্যতেজ হাৰিল।

আৰু তাত উপস্থিত থকা দৰ্শকসকলে ৰাজকুঁৱৰীৰ নামত জয়ধ্বনি কৰি উঠিল।

লগে লগে দুজন ৰাজপ্ৰহৰী আগবাঢ়ি আহিল, এজনৰ হাতত আছিল এডাল 'লহ



বিবাহ নকৰোঁ।"

তাৰ পাছত দ্বিতীয়বাৰৰ দবা খেল আৰম্ভ হ'ল। এইবাৰ সূৰ্য্যতেজে একাগ্ৰ মনেৰে দবা খেলি থাকিল; কিন্তু ৰাজকুঁৱৰী চন্দ্ৰৰেখাৰ অতুলনীয় ক্ষিপ্ৰতা আৰু নৈপুণ্যই সূৰ্য্যতেজক অবাক কৰিলে। চন্দ্ৰৰেখাৰ কাৰণে দবা-খেলা যেনিবা এগিলাছ পানী পি খোৱাৰ দৰেই সহজ, উৎকণ্ঠা উদ্বিগ্নতা বা চিন্তাৰ লেশ-মানো নাই।

আৰু এইবাৰো সূৰ্য্যতেজ পৰাজিত হ'ল, দৰ্শকসকলে ৰাজকুঁৱৰীৰ নামত পুনৰ জয়ধ্বনি কৰি উঠিল।

তাৰ পাছত—সকলোটি যেতিয়া এই কথাত স্থিৰ নিশ্চিত যে বাৰ বাৰ দুইবাৰ পৰাজিত ৰাজকোঁৱৰ সূৰ্য্যতেজে তৃতীয় আৰু শেষদফা দবা-খেল খেলিব বুলি ঘোষণা কৰিলে।

শুনি ৰাজকুঁৱৰী আৰু মহাৰাজও উচপ খাই উঠিল। মহাৰাজে সূৰ্য্যতেজক ক'লে, "ৰাজকোঁৱৰ, তুমি বয়সত যুৱা, আৰু ক্ষত্ৰিয়োচিত বিদ্যাতো পাৰংগম। তোমাৰ আগত এক স্বৰ্ণময় ভৱিষৎ। কিয়নো এনেকৈ অকাৰণ প্ৰাণদণ্ডৰ সন্মুখীন হৈছা? এই খেলৰ ইয়াতে সমাপ্তি কৰা, আৰু নিজ ৰাজ্যলৈ উভতি যোৱা।"

লহ্ কৰে জিহ্বা যেন ক্ষুৰধাৰ' সৌকা!

কিন্তু সৌকাৰে কোবোৱাৰ আগ-মুহূৰ্ত্ততে ৰাজকোঁৱৰ সূৰ্য্যতেজে ৰাজকুঁৱৰীৰ সৈতে দ্বিতীয়বাৰ খেলিব বুলি ঘোষণা কৰাত প্ৰহৰী ৰ'ল।

"চৰ্তৰ নিয়ম অনুসাৰে—যদি দ্বিতীয়-বাৰ পৰাজিত হোৱা—কুলদেৱতাৰ নামত আজীৱন অবিবাহিত হৈ থকাৰ শপত ল'ব লাগিব যে—জনাই নহয়?" মহামন্ত্ৰী আদিত্যই সূৰ্য্যতেজক ক'লে।

"এই বিশেষ নিয়মৰ কথা সোঁৱৰাই দিবৰ কোনো আৱশ্যকতা নাছিল; কিয়নো—মই দ্বিতীয় কোনোবাজনীক

ৰাজকোঁৱৰ সূৰ্যতেজে বিনম্ৰভাৱেই মৃদুকৈ হাঁহিৰে ক'লে, "মহাৰাজ, জয়-পৰাজয় দৈৱাধীন। এইবাৰ বিজয়ী নহওঁ বুলিয়েইবা কওঁ কেনেকৈ ?"

আৰু লগে লগে, সমুখত সাক্ষাৎ মৃত্যুক দেখা পায়ো সূৰ্যতেজে দবাৰ গুটি স্থানান্তৰ কৰি তৃতীয় আৰু শেষবাৰৰ বাবে খেলাৰ সূত্ৰপাত কৰিলে।

আৰু তৎমুহূৰ্ততে তলমূৰ হৈ ৰাজকুঁৱৰী চন্দ্ৰৰেখাই কৈ উঠিল, "পিতাশ্ৰী, মই —মই মোৰ পৰাজয় মানি লৈছোঁ।"

ৰাজকুঁৱৰীৰ কথা শুনি তাত উপস্থিত থকা দৰ্শকবাইজ অত্যন্ত বিস্মিত হ'ল। তেওঁলোকে এই কথাৰ কোনো আগ-গুৰি বিচাৰি নাপালে যে — যি গৰাকী ৰাজকুঁৱৰীয়ে ৰাজকোঁৱৰ সূৰ্য্যতেজক বাৰ বাৰ দুইবাৰ হেলাৰঙে পৰাজিত কৰিলে, কিয় তেওঁ বিনা প্ৰতিদ্বন্দিতাৰেই নিজৰ পৰাজয় মানি ল'লে ?

মহাৰাজ জয়কেতনে জীয়েকৰ এই বক্তব্যৰ গূঢ়াৰ্থ—অৰ্থাৎ পৰাজিত নোহোৱা সত্বেও পৰাজয় স্বীকাৰ কৰি লোৱাৰ গূঢ়াৰ্থ বুজি পাই জীয়েকলৈ অভিনন্দন জ্ঞাপন কৰি ক'লে, "আইজনী, তুমি ঠিক সময়ত সঠিক সিদ্ধান্ত লৈছা।"

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰামাদিত্যক ক'লে, "হে ৰাজন্! ৰাজকোঁৱৰ সূৰ্য্যতেজে বাৰ বাৰ দুইবাৰ

পৰাজিত হৈ এই কথা ভালকৈ জানিছিল যে দবা-খেলত ৰাজকুঁৱৰী চন্দ্ৰৰেখাক পৰাজিত কৰাটো অসম্ভৱ কথা। তথাপি তৃতীয়-বাৰ—প্ৰাণদণ্ড হ'ব বুলি জানিও—তৃতীয়বাৰ খেলি থকাটো মূৰ্খতা নাছিলনে? আৰু—মহাৰাজ জয়কেতনে 'ঠিক সময়ত সঠিক সিদ্ধান্ত' বুলি তেওঁৰ জীয়েকক শলাগিছিল যে—সি-ও অৰ্থহীন নাছিলনে? মোৰ প্ৰশ্নৰ উত্তৰ সঠিক জানিও যদি সঠিককৈ নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "ৰাজকোঁৱৰ সূৰ্য্যতেজ মূৰ্খও নাছিল, বা তেওঁ এই বিষয়ত কোনো কৌশলো অৱলম্বন কৰা নাছিল। চন্দ্ৰৰেখাৰ হাতত তেওঁৰ পৰাজয় যে সদায়েই হ'ব সূৰ্য্যতেজে সম্যক অনুধাৱন কৰিব পাৰিছিল। কিন্তু ৰাজকুঁৱৰী চন্দ্ৰৰেখাৰ ৰূপ-গুণৰ প্ৰভাৱত সূৰ্য্যতেজৰ হৃদয়-মন ইমানেই আচ্ছন্ন হৈ পৰিছিল যে—সেই আচ্ছন্নতাৰ আবেগৰ সোঁতত প্ৰাণদণ্ডৰ ভীতিও কুটাৰ দৰে উটি গৈছিল। আৰু ৰাজকোঁৱৰ সূৰ্য্যতেজে এই মনোভাব ৰাজকুঁৱৰীয়েও সম্যক উপলব্ধি কৰিব পাৰিছিল বুলিয়েই নিজে নিজেই নিজৰ পৰাজয় স্বীকাৰ কৰি লৈছিল। প্ৰকৃতপক্ষে প্ৰাণদণ্ডৰ কথা জানিও তৃতীয়বাৰ খেলি থকাই যে ৰাজকুঁৱৰীক ভাল পাই খেলিব—সেই কথাত ৰাজকুঁৱৰীৰ সামান্যতম সন্দেহো নাছিল। গতিকে—নিজৰ পৰাজয় নিজেই স্বীকাৰ কৰি ৰাজকুঁৱৰী চন্দ্ৰৰেখাই যে তেওঁৰ প্ৰকৃত প্ৰেমমুগ্ধক আইনৰ বাহুৰপৰা ৰক্ষা কৰিছিল, সেই কথা মহাৰাজেও বুজি পাইছিল।"

এই কথা কোৱাৰ লগে লগেই বেতালে সেই মৃতদেহটোৰে সৈতে পুনৰ সেই গছলৈ সাউতকৰে গুচি গ'ল। [কল্পিত

[ৰঘুনন্দন মিশ্ৰৰ ৰচনাৰ আধাৰত,]

হুঁচিয়াৰী-হুঁচৰি

মাধৱ মুঠেই আঠ বছৰীয়া, কিন্তু এই বয়সতে বৰ হুঁচিয়াৰ আৰু হেনো বুধিয়াৰ—মানে বুধিয়ক। কিন্তু হুঁচিয়াৰ-বুধিয়াৰ বুলি জনাজাত মাধৱৰ এটি বিষয়ত হেনো মূৰ্খৰ অৱতাৰ।

এবাৰ সিহঁতৰ ঘৰলৈ আহিছিল এজন আত্মীয়, থাকিছিল কেইদিনমান, আৰু কেইদিনমানৰ অন্তত যেতিয়া তেওঁৰ যোৱাৰ সময় হ'ল—তেতিয়া তেওঁ জেপৰপৰা এটা ৰূপৰ আৰু এটা তামৰ পইচা উলিয়াই হাতৰ তলুৱাত থৈ মাধৱক ক'লে, "লোৱা, এই দুটাৰ মাজত কোনটো ল'বা—লোৱা।"

মাধৱে তুৰন্তে তামৰ পইচাটোকে ল'লে, ৰূপৰ পইচাটো নল'লে।

আত্মীয় মানুহজনৰ ভ্ৰুকুযুৰি কোঁচ খাই পৰিল। ৰূপৰ পইচা নলৈ তামৰটো ল'লে কিয় বুধিয়ক মাধৱে? মাধৱৰ মূৰ্খতাৰ কথা ভাবি তেওঁ হাঁহিলে আৰু কথাটো মাধৱৰ মাক-দেউতাককো ক'লে, আৰু তাৰ পাছত তেওঁ খোজ ল'লে।

ঘটনা সামান্যয়েই। কিন্তু মাধৱহেন বুদ্ধিমান ল'ৰাৰ ক্ষেত্ৰত এই সামান্য ভুলেই অসামান্য হৈ উঠিল, আৰু তাৰ বুদ্ধিমানী তথা হুঁচিয়াৰীৰ ওপৰত তাৰ মাক-দেউতাকৰ, আৰু যি দুই-চাৰি চুবুৰীয়াই কাণ সৰালি মাৰি কথাখিনি শুনিছিল, তেওঁলোকৰো সন্দেহ হ'ল।—মাধৱহেন চোকা ল'ৰাই কিয় এই ভুল কৰিব? তেনেহ'লে—মাধৱ চোকা নহয়নে কি?

কথাটো কেৱল ঘৰত বা চুবুৰিতে আৱদ্ধ নাথাকিল, গাঁৱৰ প্ৰায় ঘৰে ঘৰে

অমৃতা শৰ্মা

মাধৱৰ মুকখালিৰ কথা বিয়পি পৰিল।

আৰু পাছদিনাৰেপৰাই আৰম্ভ হ'ল মাধৱৰ চোকামীৰ পৰীক্ষা। প্ৰায় প্ৰতিজনেই এটা তামৰ এটা ৰূপৰ পইচা হাতৰ তলুৰাত থৈ মাধৱক দুটাৰ মাজত এটা নিবলৈ কয়, আৰু মাধৱে তামৰ পইচাকে নিয়ে, ৰূপৰ পইচা নোছোৱে।

এইদৰে বহুতেই তাৰ বুদ্ধিমানীৰ পৰীক্ষা লৈ বঢ়িয়াকৈ বুজিলে যে—মাধৱ আচলতে এটি যধা—যধামুকখ।

ইমান দিন ধৰি চোকাৰো চোকা ছঁচিয়াৰ-বুদ্ধিমান হিচাপে প্ৰচাৰিত হৈ থকা মাধৱ যেতিয়া মুৰ্খৰ আহি হৈ উঠিল, তেতিয়া তাৰ মাক-দেউতাকৰ মুখ শুকাই আমঠু যেন হ'ল।

কিছুদিনৰ অন্তত মাধৱৰ এক গিয়াতি-মোমায়েক সিহঁতৰ ঘৰলৈ আহিল, আৰু তেওঁৰ মাধৱৰ মুকখালিৰ কথা শুনিলে। কিন্তু মাধৱ চোকা ল'ৰা—এই ধাৰণা তেওঁৰো আছিল। যি হওক, মাধৱক পৰীক্ষাৰ মনেৰে তেওঁও এটা ৰূপৰ আৰু এটা তামৰ পইচা উলিয়াই হাতৰ তলুৰাত থৈ মাধৱক যেতিয়া যিকোনো এটা ল'বলৈ ক'লে, মাধৱে তামৰ পইচাটোকে ল'লে।

মাধৱৰ মুৰ্খামিত বেজাৰ পাই তেওঁ মাধৱক সুধিলে, "তুমি বাৰু ৰূপৰ দাম আৰু তামৰ দামৰ পাৰ্থক্য নাজানানে?"

"জানো।" মাধৱে হাঁহি হাঁহি ক'লে।

"তেনেহ'লে—তুমি ৰূপ এৰি তামৰ পইচা লোৱা কিয়?" মোমায়েকে সুধিলে।

মাধৱে হাঁহি হাঁহি ঘৰৰ ভিতৰলৈ গৈ এদোপ। তামৰ পইচা আনি মোমায়েকৰ আগত দ'মাই থৈ ক'লে, "মই তামৰ সলনি ৰূপৰ পইচা লোৱাহেঁতেন কোনেও মোক পৰীক্ষাৰ ছলেৰে মোৰ লগত ছঁচিয়াৰীৰ ছঁচৰি নেখেলিলহেঁতেন।"

শুনি মোমায়েক আৰু মাধৱৰ মাক-দেউতাকৰো চকুৰে ঢেলুকা দিলে।



ভাৰতৰ দুৰ্গ —৩

ৰাজপুতানা-দুৰ্গ ১

চিত্ৰকূট দুৰ্গ সপ্তম শতিকাত চিত্ৰাংগদ মোৰিয়ে নিৰ্মাণ কৰিছিল। এশ বছৰৰ অন্তত সুপ্ৰসিদ্ধ গুহিল চৰ্দাৰ বাপ্পা ৰাওৱালে এই দুৰ্গৰ নাম দিলে 'চিতোৰ দুৰ্গ', আৰু এই দুৰ্গক তেওঁ তেওঁৰ নিবাসস্থলৰূপে ল'লে।

তেওঁৰ বংশধৰ খিখোদিয়াইতে চিতোৰত প্ৰায় ৮০০ বছৰ ৰাজত্ব কৰিছিল। সেই দুৰ্গৰ প্ৰাংগণত অদ্যাপি বিজয়স্তম্ভ সগৰ্বে মূৰ দাঙি থিয় হৈ আছে। ১৪৫৮ চনত ৰাণা কুম্ভই মালোৱা ছুলতানইতক পৰাজিত কৰি এই বিজয়স্তম্ভ নিৰ্মাণ কৰিছিল। ৯ মহলাৰ সমান ওখ এই বিজয়স্তম্ভৰ উচ্চতা ৩৬ মিটাৰ। এই বিজয়স্তম্ভৰ নিৰ্মাণকাৰ্য্য দহ বছৰ ধৰি চলিছিল।

চিতোৰ দুৰ্গ ভাৰতৰ সৰ্ববৃহৎ দুৰ্গ। এই দুৰ্গৰ ভিতৰত অসংখ্য নাদ আছে, এই নাদসমূহৰ পানীৰে খোৱাপানীৰ অভাৱ পূৰণৰ বাহিৰেও দুৰ্গৰ ভিতৰত কৃষিৰ বাবে পানীৰ যোগান ধৰা হৈছিল, আক্ৰমণৰ কালত দুবছৰৰ খাদ্যৰ যোগান ধৰিব পাৰিছিল।

১৫৬৭ চনত অকবৰ বাদশ্বাহে এই দুৰ্গ অৱৰোধ কৰিছিল। তেতিয়া ৰাণা উদয়সিংহই দুৰ্গৰ নিৰাপত্তাৰ

'ছাবাত' নামৰ চন্দ্ৰাতপৰ আঁৰ লৈ মোগল সেনাৰ প্ৰৱেশ

ৰামপালদুৱাৰ, চিতোৰগড়

দায়িত্ব জয়মল্ল আৰু পট্টা নাম দুগৰাকী সেনাধিপতিক প্ৰদান কৰি স্বয়ং আৰাৱল্লী পৰ্বতলৈ গুচি গৈছিল।

জয়মল্লৰ নেতৃত্বত ৰাজপুত সৈন্যবাহিনীয়ে বীৰতাৰে যুদ্ধ কৰিছিল। তাৰ পাছত—প্ৰায় চাৰিমাহজোৰা মোগল অৱৰোধৰ অন্তত—এদিন জয়মল্ল মোগলৰ খাৰ-বাৰুদেৰে বেয়াকৈ ঘাইল হ'ল আৰু জয়মল্লৰ মৃত্যুৰ ফলত ৰাজপুতসৈন্যৰ মনোবল টুটিল। আৰু এই অৱস্থাৰ সুযোগত মোগলে এই দুৰ্গ অধিকাৰ কৰিলে।

দুৰ্গ অধিকৃত হ'ল, কিন্তু ৰাণা উদয়সিংহই মোগলৰ ওচৰত আত্মসমৰ্পণ নকৰিলে। তেওঁৰ পুত্ৰ ৰাণা প্ৰতাপ আৰু তেওঁৰ অনুগামীসকলে—দুৰ্গ পুনৰ অধিকাৰ কৰিব নোৱৰালৈকে সুখী-সুস্থিৰ জীৱনযাপন নকৰিব বুলি কঠোৰ প্ৰতিজ্ঞা গ্ৰহণ কৰিলে।

এই প্ৰতিজ্ঞা গ্ৰহণকাৰীসকলৰ অন্যতম আছিল 'লোহাৰ' বা 'কমাৰ' সম্প্ৰদায়। এই লোহাৰ সম্প্ৰদায়ে দুৰ্গ উদ্ধাৰ নোহোৱালৈকে ঘৰ-দুৱাৰ পৰিত্যাগ কৰি তেওঁলোকৰ গাড়ীতে জীৱন কটাব বুলি প্ৰতিজ্ঞা কৰিছিল, আৰু সেই প্ৰতিজ্ঞা ৪০০ বছৰলৈ পালন কৰাৰ অন্তত সেই 'গাড়ীয়া লোহাৰ'সকলে ১৯৫৫ চনত শোভাযাত্ৰা সহকাৰে সিদিনাৰ সেই পৰিত্যক্ত দুৰ্গত প্ৰৱেশ কৰি প্ৰতিজ্ঞা ভংগ কৰিছিল।



কুম্ভলগড় প্ৰাচীৰ

উদয়পুৰৰ সমীপস্থ কুম্ভলগড় দুৰ্গ ১৪৮৫ চনত ৰাণা কুম্ভই নিৰ্মাণ কৰিছিল। এই দুৰ্গৰ বহিঃ প্ৰাচীৰ আছিল পাহাৰেৰে আগুৰা আৰু ইয়াৰ ৭ মিটাৰ বহল গড়ৰ ওপৰেদি একেলগে সাতোটা ঘোঁৰাই, তথা সপ্ত অশ্বাৰোহীয়ে চেঁকুৰিব পাৰিছিল। এই দুৰ্গ বহু বাৰ আক্ৰান্ত হৈছিল, কিন্তু মাত্ৰ সেই এবাৰেইহে অকবৰে অধিকাৰ কৰিব

পাৰিছিল, তাকো সামান্য কালৰ বাবে।

ৰণথম্ভোৰ দুৰ্গ ১১৯২ চনত নিৰ্মিত হৈছিল। এই দুৰ্গ ও সপ্তপৰ্বত-বেষ্টিত। ভৰতপুৰ, আগ্ৰা, জয়পুৰ, চিতোৰ, গ্বালিয়ৰ (গোৱালিয়ৰ)ৰ আদি স্থানৰপৰা প্ৰায় সম-দূৰত্বত এই পৰ্বতবেষ্টিত দুৰ্গ নিৰ্মিত হৈছিল।

ইপৰ্বতৰপৰা সিপৰ্বতৰ মাজত অটব্য অৰণ্য ভেদি আক্ৰমণ কৰাটো আছিল শত্ৰুপক্ষৰ পক্ষে দুঃসাধ্য।



ৰণথম্ভোৰ (বাঁওফালে)ৰ বাহিৰত থিয় হৈ মোগলসৈন্যই (সোঁ-ফালে) খাৰ বাৰুদ নিক্ষেপ কৰিছে

১২০৯—১৫৬৯ চনৰ মাজত এই দুৰ্গ দহ বাৰ আক্ৰান্ত হৈছিল। হম্মিৰদেৱাৰ আমোলত আলাউদ্দিন খল্‌জিৰ এজন সেনাপতিক এই দুৰ্গত আশ্ৰয় প্ৰদান কৰা হৈছিল। তেতিয়া আলাউদ্দিন খল্‌জিৰ সৈন্যইতে এট দুৰ্গ অৱৰোধ কৰিছিল, কিন্তু অধিকাৰ কৰিবপৰা নাছিল পাছত পলাই গৈছিল।
১৩০১ চনত যেতিয়া দ্বিতীয়বাৰ এই দুগ আক্ৰান্ত হ'ল, তেতিয়া স্বয়ং আলাউদ্দিন খল্‌জিয়ে আক্ৰমণৰ নেতৃত্ব দিছিল। হম্মিৰৰ দুজন মন্ত্ৰীয়ে বিশ্বাৰঘাতকতা কৰাত দুৰ্গৰ পতন হৈছিল আৰু

হম্বিৰ ৰণত পৰিছিল, আৰু তেওঁৰ পৰাক্ৰমী সেনাপতি মুহম্মদশ্বাহকো বন্দী কৰি পাছত প্ৰাণদণ্ড দিয়া হৈছিল।

১৫৬৯ চনত অকবৰে এই দুৰ্গ অৱৰোধ কৰিছিল আৰু এই দুৰ্গৰ প্ৰাচীৰ ভাঙিবলৈ বলধেৰে কঢ়িউৱা গাড়ীৰে ২০০ বৰতোপ লৈ অহা হৈছিল। কিন্তু তথাপি এই দুৰ্গ অধিকাৰ কৰিব পৰা নাছিল, যদিও আক্ৰমণ অব্যাহত আছিল। অৱশেষত অকবৰে অম্বৰৰাজ ভগৱানদাসলৈ ৰণথম্ভোৰৰ ৰাও সুৰজন হাদাৰ যোগেদি শান্তি-প্ৰস্তাৱ প্ৰেৰণ কৰিলে আৰু তাৰ পাছত এই অঞ্চলত শান্তি প্ৰতিষ্ঠিত হ'ল।

এই দুৰ্গৰ চাৰিওফালে থকা অৰণ্যত এতিয়া ব্যাঘ্ৰ-অভয়াৰণ্য প্ৰতিষ্ঠিত।

১৫ শতিকাত মান্দৰ আছিল মাৰোৱাৰৰ ৰাজধানী। কিন্তু ৰাঠোৰ চৰ্দাৰ ৰাও যোধাই এই ঠাইৰপৰা নকিল'মিটাৰ দূৰৱৰ্তী এটা পাহাৰৰ ওপৰত নতুনকৈ ৰাজধানী প্ৰতিষ্ঠা কৰিছিল আৰু সেই ৰাজধানীৰ নামকৰণ কৰিছিল তেওঁৰ নিজৰ নামেৰে—'যোধপুৰ' বুলি। আৰু তাত ১৪৫৯ চনত মেহেৰানগড় নামৰ দুৰ্গ নিৰ্মাণ কৰিছিল।

তেতিয়াৰ কালৰ অন্যান্য দুৰ্গৰ দৰেই—এই দুৰ্গও মোগল আৰু আফঘানইতৰ আক্ৰমণতকৈও অধিকভাৱে ৰাজপুত ৰজা আৰু চৰ্দাৰইতেও ঘনাই আক্ৰমণ কৰিছিল।

এই দুৰ্গৰ অভ্যন্তৰত **কিলকিলা, শম্ভুবান** আৰু **গাজীখান** নামৰ তিনিটা অদ্ভুতদৰ্শন বৰতোপ এতিয়াও সুসজ্জিত-সুৰক্ষিত আছে।

মেহৰানগড়, যোধপুৰ

3 © Amrita Bharati, Bharatiya Vidya Bhavan 1995

গালি আলিয়ে যা

কালুৰ নিজা সা-সম্পত্তি বোলা একো নাই, কিন্তু গাঁৱত তাৰ আত্মীয়-স্বজন ঢেৰ। এই আত্মীয়-স্বজনৰ কথাতে তাৰ গৰ্ব, আৰু সেই কাৰণেই তাৰ মনত আৰু হাৰ-ভাৰতো মই বৰ মই বৰ ভাৱ ফুটি ওলাইছিল, আৰু মুখেৰে সাত হাল বাইছিল, যাক যি মন যায় কৈছিল। এই কথাত খুলাশলীয়েকে তাক কিমান যে বুজাইছিল, কিন্তু অবুজাক বুজাব কোনে ?

এদিন কালুৰ পাও পিছলিল, আৰু যদিও কুঁৱাৰ ভিতৰত পৰাৰপৰা কথমপি সাৰিল, কিন্তু এখন পাও মোচোকা খাই বৰ বিষ উঠিল। কালুৰ পৰিবাৰ সাৱিত্ৰীয়ে কালুৱে পিছল খাই উবুৰি হৈ পৰা দেখিছিল, আৰু হায়ঔ-বিঔ নকৰি হাঁহি-ছিল বুলি কালুৱে কৰ্কাই কৈ উঠিছিল,

"নামত তুমি পতিব্ৰতা, আৰু কামত দেখিছোঁ পতিহন্তা। মই যেতিয়া বিষ-বেথাত কেঁকাইছো, তুমি সাৱিত্ৰীৰিয়ে হাঁহিছাহে! তাতকৈ কুঁৱাত পৰি মৰিব পাৰা দেখোন!"

সাৱিত্ৰীয়ে এই কথা শুনি আগত-কৈয়ো অধিক জোৰেৰে হাঁহি উঠিল।

মোচোকা খাই খোঁৰাই খোঁৰাই বহু কষ্টেৰে ঘৰৰ দুৱাৰলৈকে আহিল যেতিয়া, তাৰ খুলাশালীয়েক ৰামুৱে ক'লে, "ভিনদেও, কুঁ ৱা ৰ প ৰা ইয়ালৈ আহোঁতেনো ইমান সময় লাগিলনে ?"

"তাৰ মানে—তুমি তাত থিয়ৈ থিয়ৈ মজা দেখিছা ? অলপ সহায় কৰি দিব পাৰিলাহেঁতেন—।" কালুৱে ক'লে।

"কিন্তু ভি ন দে ও, তোমাৰ সেই

সুনীতা বৰা

তেতিয়াই এজন মগনিয়াৰে৷ খোঁৰাই খোঁৰাই কালুৰ কাষ চাপিল। মগনিয়াৰ-টোৱে কালুক ক'লে, "মালিক, মই খোঁৰা, টকা-সিকা যি দিয়ে দিয়ক।"

কালুৱে ক'লে, "ময়ো খোঁৰা; কিন্তু মই তোমাৰ দৰে ভিক্ষা কৰিছোঁনে?"

"ভিক্ষা কৰাৰ দৰ্কাৰ হোৱা নাই, কৰা নাই। পিছে—খোঁৰা যদি হৈছেই, দুই-চাৰি ঘৰলৈ খোঁৰাই খোঁৰাই গৈ ভিক্ষা খোজকেইচোন—তেতিয়া বুজিব আমাৰ তকলিফ কি আৰু কিমান।"

মগনিয়াৰৰ কথা শুনি কালুৰ কাণ-মূৰ গৰম হৈ উঠিল, "বদমাছ ক'ৰাৰ, লেতেৰাৰো লেতেৰা, কুঁৰাত পৰি মৰাগৈ।"

মগনিয়াৰটোৱে হাঁহি হাঁহি তাৰপৰা তেতিয়াই গুচি গ'ল।

তাৰ পাছত কালু খোঁৰাই খোঁৰাই চোতাললৈ গৈ এচুকত বহিল। অলপ অঁতৰত কিছুমান ল'ৰাই ভাগ্য-ভাগ্য খেলি আছিল, কোনোবা কণা, কোনো বাই খোঁৰাৰ ভাও দিছিল।

কালুৱে সেই ল'ৰাইতক ক'লে, "কি হে ল'ৰাহঁত, মোকেই ভেঙুচালি কৰিছানে কি? তোমালোক কোনহে—? মোৰ নাম কালু—জানিছানে নাই?"

ল'ৰাহঁত হো হো কৰে হাঁহি উঠিল,

লেঙুৰ-ভেঙুৰ চাল-চলনৰ ধৰণ-ধাৰণ আছিল বেছ মজাদাৰ। তাকে চাই—সহায়-তহায়ৰ কথা পাহৰি থাকিলোঁ।" ৰামুৱে হাঁহি হাঁহি ক'লে।

"তুমি মানুহটোও একাচেকা, তোমাৰ বুধিও টেৰা-বেঁকা। মই যে বয়সত অন্ততঃ ডাঙৰ—সেই বোধ-বুধিও তোমাত নাই। এইদৰে জীয়াই থকাতকৈ কুঁৰাত জঁপিয়াই পৰি মৰাগৈ।" কুটিল-কণ কালুৱে কুঠাৰ জৰা দিলে।

ৰামুৱে হাঁহি হাঁহি তাৰপৰা খোজ ল'লে। তাৰ পাছত কালুৱে খোঁৰাই খোঁৰাই ঘৰৰ ভিতৰলৈ আহিল আৰু ঠিক

আৰু কালুৰ দৰে খোঁৰাই খোঁৰাই খোজ দিবলৈ ধৰিলে।

তেতিয়া কালুক আৰু পায় কোনে। কালুৱে ল'ৰাহঁতক গালিৰে তেভুত কৰিলে আৰু ল'ৰাহঁতে ফৰিংছিটিকা দিলে।

তিমানতে এজন অচিনাকি মানুহ তালৈ আহিল। এই মানুহজনক কালুৱে আগে কাহানিও দেখা নাছিল। কালুৱে মানুহজনক একো সুধিবলৈ নৌ পাওঁতেই মানুহজনে কৈ উঠিল, "হে—ইৰি, মই সীতাৰামজীৰ তাত কাম কৰু। মই এই গাঁৱৰ কালু ডাঙৰীয়াক খবৰ এটা দিবলৈ আহিলু। পিছে—তেওঁ যে কুন—"

"মই। মইহে সেই কালু ডাঙৰীয়া। কোৱা কি ক'বা।" কালুৱে ক'লে।

"আপুনি যদি অলপ খোজ দিয়ে, আপুনিয়েই সেই কালু ডাঙৰীয়া হয়নে নহয়—জা নি ম। কি য় নো—চাইটা ল'ৰাই মোক কৈছি যে—কালু হ'ল খোঁৰা, দেখাত যেন খোঁৰা। আৰু আমাৰ মালিকেও খবৰটো কালু ডাঙৰীয়াৰ বাহিৰে আন কাকো বা কাকপক্ষীকো ন ক' ব লৈ মোক টানি কৈ দিছি। গতিকে"—"

"গতিকে মই তোমাক খোঁৰাই খোঁৰাই খোজ দি পৰমাণ দিব লাগে যে মই খোঁৰা নহওঁ—খোঁৰা! জহনীত যোৱা ক'বাৰ, কুঁৱাত পৰি মৰাগৈ যোৱা।"



আঠটা ঘৰৰ পিছত এটা সৰু গলি, সেই গলিটোত আছে এটা কুকুৰ, তাৰ নাম কালু। সেই গলিয়েদি গৈ, আলি এটা পাই, সেই আলি পাৰ হৈ আৰু এটা গলিত সোমাই পোৱা যাব এটা গোহালি, সেই গোহালিত এটা খোঁৰা বলদ আছে—তাৰ নামো কালু। তা'পৰা সোঁফালে ঘূৰি বাঁৱে, সোঁৱে, বাঁৱে ঘূৰি দিলেই এজোপা নিম, সেই নিম জোপাত বন্ধা থাকে এটা গোনা ম'হ—তাৰ নাম কালু, সেই নিমজোপা পাৰ হৈ এবাৰ সোঁৱে এবাৰ বাঁৱে যিটো ঘৰ—সেইটো ঘৰৰ বিপৰীতে যিটো ঘৰ—সেইটোৱেই হ'ল আমাৰ মালিক সীতাৰামজীৰ নতুন ঘৰ।" কাম কৰা মানুহজনে নতুন ঘৰৰ বিবৰণ দাঙি ধৰিলে।

এই কথা শুনিয়েই কালুৱে মানুহজনক—বান্দৰমুৰা, হাতীচকুৰা, গাধকণীয়া, ঘোঁৰাৰ গু-খোৱা আদি গালিৰে তেভূত কৰিলে।

গালি পাৰি পাৰি যেতিয়া ভাগৰি পৰিল, তেতিয়া সেই মানুহজনে কালুক অতি নম্রভাৱে সীতাৰামৰ ওচৰলৈ যাবলৈ কোৱাত—কালুৱে বাধ্য ল'ৰাৰ দৰে তাৰ পিছে পিছে গৈ থাকিল।

মানুহজনে কোৱা মতেই ই-গলি

কালুৱে সীতাৰামজীৰ কাম কৰা মানুহজনক গালি পাৰিলে।

মানুহজনে কালুক ক'লে, "কালু ডাঙৰীয়াই যে সদায় গালি পাৰি থাকে, আমাৰ মালিকে মোক সেই কথাটোও কৈ পঠাইছি। এতিয়া বুইছু যে আপুনিয়েই সেই। যেই কি নহ'ক, আপুনি এতিয়াই আমাৰ মালিকৰ নতুন ঘৰলৈ ব'লক।"

"নতুন ঘৰ—?" কালুৱে কক্কাই উঠিল, "ক'ত নতুন ঘৰ?"

"শুনক তেন্তে—।" মানুহজনে গল হেঁকাৰি মাৰি কৈ থাকিল, "ইয়াৰপৰা

সি-গলি সৰুৰো সৰু বাট—বাটৰ পোৱালি বাট পাৰ হৈ হৈ ই কেঁকুৰি সি-কেঁকুৰি ঘূৰি ঘূৰি সীতাৰামৰ নতুন ঘৰ পালেগৈ।

সীতাৰামে কালুক আদৰিয়েই ল'লে। ক'লে যে—এটা বিশেষ কাৰণত তেওঁ কালুক মতাই অনাইছে। কাৰণটো হ'ল যে—তেওঁৰ সৰু ছোৱালী গৌৰীজনীয়ে কিবা কথাত অতিপত ভয় খাইছে. আৰু বৈদ্যই চাই-চিতি পৰীক্ষা-কৰাৰ অন্তত ইয়াকে কৈ গৈছে যে তাইক কেনেবাবৈ ইয়াকে কৈ গৈছে যে তাইক কেনেবাকৈ এবাৰ হুঁহুৰাব পাৰিলেই তাইৰ ভয়-ডৰ গুচিব, বেমাৰ ভাল হৈ যাব। আমি তাইক হুঁহুৰাব পৰা নাই বুলিহে—তোমাক মতাই অনালোঁ।"

"তোমালোকে যি কাম কৰিব নোৱাৰিলা—মোৰদ্বাৰা কেনেকৈ সাম্ভৱ হ'ব?" কালুৱে কেঁৰাকৈ চাই সুধিলে।

"কিয় সম্ভৱ নহ'ব? শুনিলোঁ যে—তুমি বোলে বৰ হাঁহি উঠাকৈ কিবা ধৰণে খোঁৰা-খোজ দিব পাৰিছা, সকলোটিয়েই হেনো আমোদ পাইছে—হাঁহি হাঁহি বাগৰি পৰিছে—, তাই বাৰু নাহাঁহি-বনে? দিয়াচোন এবাৰ খোঁৰাখোজ—?" সীতাৰামে কালুক ক'লে।

আৰু ক'ব লাগিছেনে? কালুৱে যিহে কটু জোৰা দিবলৈ ধৰিলে—সীতাৰামে কাণত আঙুলি ভৰাবলৈ বাধ্য হ'ল, আৰু ঘৰৰ আন সকলোটিয়েই কালুৰ কৰুকনি শুনি হো হো-হি হি-হা হাকৈ হাঁহি হাঁহি বাগৰি পৰা হ'ল।

কিন্তু হঠাৎ কালুৱে গালি-ছালি বন্ধ কৰিলে। তাৰ ধাৰণা হ'ল যে—সি নিজেই ক্ৰমে ক্ৰমে গালিৰ বাহ হৈ পৰিছে, আনক গালি পাৰি দৰাচলতে বহুৰালিহে কৰিছে। আৰু সেই মুহূৰ্তৰেপৰাই কালুৱে আনক গালি পাৰি থকা চিৰদিনৰ বাবে বন্ধ কৰিলে।

অমৃত চিকিৎসা

লখিমীপুৰৰ জমিদাৰ সূৰ্য্যভূপতি আছিল দয়ালু আৰু ধৰ্মাত্মা। তেওঁৰ জমিদাৰী বিশাল-বিস্তৃত। ওচৰে-পাজৰে থকা কমেও বিছখন গাঁৱত তেওঁৰ অধিপত্য বিদ্যমান।

সূৰ্য্যভূপতিৰ আজোককাৰ আমোলত লখিমীপুৰত এখন দাতব্য চিকিৎসালয় পুৰুষানুক্ৰমে এতিয়াও আছে। এতিয়া এই চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত হৈ আছিল আয়ুৰ্বেদাচাৰ্য নীলকণ্ঠ। তেওঁৰ চিকিৎসা অতুলনীয়। তেওঁৰ বেমাৰীৰ দেহগত চিকিৎসাৰ লগতে মনোগত চিকিৎসাও আছিল, আৰু তাৰে বেমাৰী বেমাৰত পৰি থাকিও মন-প্ৰাণত আনন্দ লাভ কৰিছিল। প্ৰকৃতাৰ্থত — নীলকণ্ঠৰ চিকিৎসাৰ গুণত বেমাৰীয়ে নিজক বেমাৰী বুলিয়েই নাভাবিছিল কেতিয়াও।

কিন্তু এদিন নীলকণ্ঠদেউ ঢুকালত জমিদাৰ সূৰ্য্যভূপতি বিমোৰত পৰিল।

কিছুমানে তেওঁক পৰামৰ্শ দিলে যে নীলকণ্ঠদেউৰ চাৰিজন শিষ্যৰ মাজত এজনক চিকিৎসালয়ৰ প্ৰধান চিকিৎসক হিচাপে নিযুক্ত কৰা হওক। সূৰ্য্যভূপতিয়ে তেওঁৰ নিকটতম পৰম মিত্ৰ নৰবৰ্মাক শিষ্য চাৰিজনৰ মাজৰপৰ শ্ৰেষ্ঠ যোগ্য-জনক বাছি উলিয়াবলৈ ক'লে।

নৰবৰ্মাই সূৰ্য্যভূপতিক ক'লে, "ভূপতি, নীলকণ্ঠদেউৰ চাৰিওজন শিষ্যক কাইলৈ ঠিক আঠ বজাত কাছাৰীলৈ খবৰ পঠোৱা। এওঁলোকৰ মাজত কোন প্ৰতিভাসম্পন্ন, তাৰ পৰীক্ষা লোৱা হ'ব, আৰু শ্ৰেষ্ঠজনক জ্যেষ্ঠ চিকিৎসক হিচাপে নিযুক্ত দিয়া হ'ব।" তেওঁ সূৰ্য্যভূপতিক আন এটি

'ভগীৰথ'

বিশেষ কাম কৰিব- লৈকো ক'লে।

নীলকণ্ঠৰ শিষ্য চাৰিজন পাছদিনা আঠ বজাৰ আগতেই জমিদাৰৰ কাছাৰী পালেহি। কাছাৰীৰ কৰ্মচাৰীসকলে তেওঁলোকক আথেবেথে বহুৱালে আৰু ক'লে, "আমাৰ জমিদাৰ ডাঙৰীয়াই কিবা জৰুৰী কামলৈ ওলাল, আপোনালোক কষ্ট কৰি কিছু সময় ৰ'ব লাগিব।"

সূৰ্যভূপতিদেউ প্ৰায় এঘাৰ বজাত আহিল, আৰু লগত আছিল নৰবৰ্মা।

সূৰ্যভূপতি বা নৰবৰ্মাৰ মাজত কোনোও চিকিৎসাশাস্ত্ৰৰ একোৰেই নাজানিছিল। গতিকে—এওঁলোকৰ চিকিৎসা-বিদ্যাৰ যোগ্যতাৰ পৰীক্ষা যে কেনেকৈ লোৱা হ'ব—তাৰ সামান্যতম ধাৰণা নাছিল। ইতিমধ্যে জমিদাৰৰ ভৃত্য এজনে কাচৰ কলহ এটা জমিদাৰ আৰু তেওঁৰ মিত্ৰ নৰবৰ্মাৰ আগত থৈ দিলেহি।

তাৰ পাছত জমিদাৰে নীলকণ্ঠদেউৰ শিষ্যসকলৰ মাজত প্ৰথমজনক চকুৰ ইংগিতেৰে মাতিলে আৰু ক'লে, "জয়ন্ত, এই কলহটোৰ বিষয়ে এষাৰ বাক্যেৰে কিবা এষাৰ কোৱা।"

জমিদাৰে চিকিৎসা-বিষয়ক প্ৰশ্নহে সুধিব বুলি জয়ন্তই ভাবিছিল। কিন্তু এনেবোৰ প্ৰশ্ন কৰিব বুলি ভবাই নাছিল।



যি হওক—জয়ন্তই উত্তৰ দিলে, "এই কলহটোত আধাখিনিমান পানী আছে।"

নৰবৰ্মাই এজোপা বৃক্ষলৈ আঙুলিয়াই জয়ন্তক ক'লে, "এই বৃক্ষৰ বিষয়ে এষাৰ বাক্যেৰে কিবা কোৱাচোন—।"

জয়ন্তই ভ্ৰুকোঁচাই ক'লে, "ঋতুধৰ্ম অনুসাৰে এই বৃক্ষৰ পাতবোৰ সৰিছে।"

নৰবৰ্মাই ক'লে, "এতিয়া আমাৰ তৃতীয় প্ৰশ্নৰ উত্তৰ দিয়া। তৃতীয় প্ৰশ্ন হ'ল এই প্ৰশ্ন তিনিটা আমি কিয় সুধিলোঁ।"

শুনি জয়ন্ত ভেবা লাগিল। জয়ন্তই অস্পষ্ট আৰু লাগ-বান্ধ নোহোৱাকৈ কি উত্তৰ দিলে—ভালকৈ বুজা নগ'ল।

তাৰ পাছত একে একে আন তিনিজনকো প্ৰশ্নবোৰ সুধিলে, আৰু চতুৰ্থজন শিষ্য ললিতৰ বাহিৰে বাকি তুজনৰপৰা প্ৰায় জয়ন্তৰ দৰে উত্তৰ পালে।

সৰ্বশেষত ললিতে ক'লে, "এই কলহটো আধাখিনিমান পানীৰে ভৰা, কিন্তু কলহটোক পানীৰে পুৰ্ণ কৰা হ'লেহে ভাল হ'ব।"

বৃক্ষৰ বিষয়ে ললিতে ক'লে, "শীত ঋতুত যদিও বৃক্ষজোপাৰ পাত সৰিছে, তথাপি এই পাতসৰা ক্ৰিয়াই আগন্তুক বসন্তঋতুৰ আগমন-বাৰ্তা ঘোষিছে।"

জমিদাৰ সুৰ্য্যভূপতিৰ মুখৰপৰা ওলাই আহিল, "চা—ব্বাইচ!"

তেতিয়া নৰবৰ্মাই ললিতক ক'লে, "এতিয়া আমাৰ তৃতীয় আৰু শেষ প্ৰশ্নৰ উত্তৰ দিয়া, আৰু সেই উত্তৰ তোমাৰ সহশিষ্যসকলক আৰু ইয়াত উপস্থিত থকাসকলে শুনিব পৰাকৈ কোৱা।"

ললিতে বিনম্ৰতাৰে ক'লে, "চিকিৎসাশাস্ত্ৰৰ প্ৰধান কথা হ'ল—মনোবিজ্ঞান। বেমাৰী এজনে বেমাৰত পৰাৰ লগে লগে মনোবল হেৰুৱাই পেলায়। চিকিৎসক এগৰাকীৰ প্ৰথমিক কাৰ্য্য হ'ল—বেমাৰীজনৰ মনোবল ঘূৰাই আনা, এয়ে হ'ল অমৃত চিকিৎসা। এই মনোবিজ্ঞানৰ দৃষ্টিৰে আপোনালোকে কলস আৰু বৃক্ষৰ মাধ্যমত আমাৰপৰা উত্তৰ বিচাৰিছিল।"

নৰবৰ্মাই ললিত চাই ক'লে, "ললিত, তুমি প্ৰকৃততেই নীলকণ্ঠশিষ্য।"

জমিদাৰ ডঙৰীয়াই ক'লে, "আৰু লগতে—আমাৰ দেৰিকৈ অহাৰ বাবে তোমাৰ সহিষ্ণুতাও শলাগিবলগীয়া। সহিষ্ণুতাও চিকিৎসকৰ অন্যতম গুণ।"

নীলকণ্ঠশিষ্য ললিতে তলমূৰ হৈ এই শলাগৰ শৰাই গ্ৰহণ কৰিলে আৰু জমিদাৰ সুৰ্যভূপতিৰ একান্ত অনুৰোধত দাতব্য চিকিৎসালয়ৰ দায়িত্ব গ্ৰহণ কৰিলে।



মহাভাৰত

১১

হিড়িম্বাই ভীমক বিবাহৰ প্ৰস্তাৱ দিয়াত ভীমে অচৰিত মানিলে আৰু ক'লে, "কেনেকৈনো সম্ভৱ? তোমাক বিবাহ কৰাই মই মোৰ মাতৃ-ভ্ৰাতৃসৱক তিয়াগিম কেনেকৈ? ই অসম্ভৱ।"

হিড়িম্বাই ক'লে, "মোক বিবাহ কৰাৰ পাছত তেওঁলোক মোৰো, তেওঁলোকক ৰক্ষা কৰাটো মোৰো ধৰ্ম। তোমাৰ কাৰণে মই কৰিব নোৱৰা কাম নাই। তুমি এওঁলোকক এতিয়াই টোপনিৰপৰা জগোৱা।"

"নিদ্ৰিতক জগোৱাটো উত্তম কথা নহয়। গতিকে—"

ভীমৰ কথা শেষ হ'বলৈ নৌ পাওঁতেই দেখাত যমহেন হিড়িম্ব ৰাক্ষস তাৰ ভনীয়েক হিড়িম্বাক বিচাৰি এইফাললৈ আহি থাকিল আৰু তেতিয়া হিড়িম্বাই ভীমক ক'লে, "সৌটো মোৰ ভাই—ৰাক্ষস হিড়িম্ব আহিব ধৰিছে। তুমি এওঁলোকক শীঘ্ৰে জগোৱা, মই আকাশ-পথেৰে এক সুৰক্ষিত ঠাইলৈ লৈ যাম।"

"হে ৰাক্ষসী, ৰাক্ষস হিড়িম্ব যিমানেই ভয়ংকৰ নহওক, ভয় কৰিবলগা একো নাই। সি যমৰ আলহী হ'ব বুলিহে ইয়ালৈ আহিব ধৰিছে। সি যদি তাৰ লগত আন কেটামান ৰাক্ষসকো লৈ আহে, কোনো পৰোৱা নাই, আটাইবিলাকক যমালয়লৈ পঠোৱা যাব।" ভীমে ক'লে।

'ভীম-হিড়িম্বা-বিভা'

ইতিমধ্যে হিড়িম্ব ৰাক্ষস ভীম আৰু হিড়িম্বাৰ সমীপৱৰ্তী হ'ল, আৰু দুয়োৰো অৱস্থাৰ ৰেখ কৰি মনতে ভাবিলে : হিড়িম্বাই কিবা ধৰণৰ প্ৰেম-বিয়াধিৰে আক্ৰান্ত যেন পাইছোঁ।

আৰু পাছ মুহূৰ্তত চকু ৰঙা কৰি গৰ্জি উঠি ক'লে, "হৈ হিড়িম্বা, মোৰ সিপিনে ভোকত কেঁচু-কুমটি মৰিছে, আৰু তই ইটো মানুহৰ পোৱালিৰ লগত কিহৰনো আখুটি কৰিছ ? তোৰ আখিন্দা কি ? আমাৰ ৰাক্ষস-মৰ্য্যাদা বিসৰ্জি তই ইয়াক —এই বান্দৰমুখীয়া মানুহৰ পোৱালিক বিভা কৰিবলৈ পাণ্ডিছনে কি ? ৰঃ, ই উৰহৰ পোৱালিক টিপি মাৰি তোকো আজি মাৰিম ।" এই বুলি কৈয়েই সি হিড়িম্বই ভীমৰ পিনে এখোজ-দুখোজকৈ আগুৱাই গৈ থাকিল।

ভীমে গৰ্জি উঠি ক'লে, "হেই অধম ৰাক্ষস, তোক বধি আজি এই অৰণ্যক ৰাক্ষসমুক্ত কৰিম।"

ভীমৰ ভীমগৰ্জনত সকলোটিয়ে সাৰ পালে, আৰু দুয়োৰো মাজত হৈ থকা বীভৎস মল্লযুদ্ধ তৰধ মানিলে। এই যুদ্ধৰ ফলত ভূমি কঁপি কঁপি উঠিছিল ।

সামান্য আঁতৰত থিয় হৈ থকা হিড়িম্বাক কুন্তীয়ে লাহেকৈ সুধিলেগৈ, "তোমাক কোনোবাজনী অপ্সৰা যেন লাগিছে। তুমিনো কোন ? ক'লৈ যাবলৈ ওলাইছা ? ইয়ালৈ আহিলা কিয় ? সকলো কথাৰ সত্য উত্তৰ দিয়া।"

হিড়িম্বাই সম্পূৰ্ণ সঁচা কথাখিনি ক'লে কুন্তীক। হিড়িম্বাই ক'লে, "হে মাতা ! মই আৰু মোৰ ভাই ৰাক্ষস হিড়িম্ব এই অৰণ্যৰ নিবাসী। হিড়িম্বই আপোনা-লোকক খাব বুলি নিদ্ৰিত আপোনা-লোকক ধৰি লৈ যাবলৈ মোক পঠাইছিল। কিন্তু মই আপোনাৰ পুত্ৰৰ সৌন্দৰ্য্যমুগ্ধ হৈ মোৰ ভ্ৰাতৃ-আজ্ঞা পালন নকৰা হ'লোঁ। মোৰ মনৰ ইচ্ছাৰ কথা আপোনাৰ পুত্ৰক

মই ক'লোঁ, তিমানতে হিড়িম্ব ইয়ালৈ আহিল। মোৰ ভাই হিড়িম্ব মহাশক্তিশালী। মই তাৰ বিৰুদ্ধে যুঁজ নকৰাৰ বাবে আপোনাৰ পুত্ৰক খাটিছিলোঁ, কিন্তু তেওঁ মোৰ কথা নামানিলে।"

অৰ্জুনে ভীমৰ সৈতে যুদ্ধত হিড়িম্বৰ অধিক সাফল্যালৈ মন কৰি ভীমক ক'লে, "ভীমসেন, যদি শ্ৰান্ত বোধ কৰিছা, কিছু সময়লৈ মই ইয়াৰ বিৰুদ্ধে যুঁজিব পাৰোঁ।"

অৰ্জুন, তুমি খৰখেদা নকৰা। ই মোক পৰাজিত কৰিব পাৰিব বুলি নাভাবিবা। ইয়াক মাত্ৰ এটিবাৰ ঠিকমতে ধৰিব পাৰিলেই যমালয়লৈ পোনে পোনেই পঠাই দিম।" ভীমে অৰ্জুনক এই বিশেষ বিষয়ত পৰিপূৰ্ণ আশ্বাস দিলে।

"তেনেহ'লে তুৰন্তে কামটি কৰি পেলোৱা। ইয়াত আৰু অধিক সময় থকাটো আমাৰ পক্ষে উচিত নহয়। সূৰ্য্যোদয় হ'বৰ হ'ল। আৰু সন্ধ্যা-সমাগমত ৰাক্ষসৰ বলবৃদ্ধি হয়। গতিকে—ইয়াৰ লগত অযথা সময় ব্যয় নকৰিবা। আৱশ্যক হ'লে বাণেৰে ইয়াৰ মুণ্ডচ্ছেদ কৰি দিম।" অৰ্জুনে ক'লে।

আৰু ঠিক তেতিয়াই এছেগত ভীম হিড়িম্বৰ ঠেঙত ধৰি শূন্যত ঘূৰাই দূৰলৈ নিক্ষেপ কৰিলে, আৰু তাৰ ফলত হিড়িম্বৰ মৃত্যু হ'ল।

আৰু তাৰ পাছত পাণ্ডৱসকলে সেই



নাৰীক মাৰি পেলোৱাৰ কথা কৈছা কেনেকৈনো? এই নাৰীয়ে আমাৰ কি অনিষ্ট কৰিব পাৰে? হিড়িম্বক বধি তুমি ভালেই কৰিলা। কিন্তু সেই বুলি এই-জনীক কিয় বধিবা?"

হিড়িম্বাই ধৰ্মৰাজলৈ চাই কুন্তীৰ চৰণ স্পৰ্শ কৰি ক'লে, "ৰাক্ষস-ধৰ্ম আৰু প্ৰকৃতি পৰিত্যাগ কৰি বৰ আশাৰে মই এওঁক মনে-চিতে গ্ৰহণ কৰিলোঁ। মই মোৰ জীৱনত আন কাকো এইদৰে বাঞ্ছা কৰা নাই। এওঁ যদি মোক বিমুখ কৰে, মই আত্মঘাতী হ'ম। মোৰদ্বাৰা আপোনা-লোকৰ কোনো ধৰণৰ অনিষ্ট হোৱাৰ সম্ভাৱনা নাই। মই লাগিলে পলকতে আপোনালোকক এই অৰণ্যৰ সিমূৰলৈ লৈ যাব পাৰোঁ।"

ধৰ্মৰাজে হিড়িম্বাক ক'লে, "তোমাৰ কথা মই পৰিপূৰ্ণ বিশ্বাস কৰোঁ। ভীমে তোমাক নিশ্চয় পত্নীৰূপে গ্ৰহণ কৰিব।"

কুন্তীয়ে ভীমক ক'লে, "পুত্ৰ, ধৰ্মৰাজৰ কথা মানি লোৱা। হিড়িম্বা যদিও ৰাক্ষসী, তথাপি নাৰী। নাৰীয়ে যিজনক বিচাৰে, মনে-চিতে বিচাৰে, সৰ্বস্ব সমৰ্পণ কৰে।"

ভীমে এই কথা মানি ল'লে যে—হিড়িম্বা মাতৃ নোহোৱালৈকে তেওঁ বিনা প্ৰশ্নত তাইৰ পতি হৈ থাকিব।

..ই এৰি আন ঠাইলৈ যাত্ৰা কৰিলে। কিয়নো—দুৰ্যোধনৰ গুপ্তচৰইঁতে যদিহে কেনেবাকৈ সন্ধান পোৱা হয়—তেনেহ'লে আৰু ৰক্ষা নাই।

কুন্তীৰ পিছে পিছে সকলোটি গৈ থাকিল। হিড়িম্বাও এওঁলোকৰ লগ লগি গৈ থাকিল। তেতিয়া ভীম হিড়িম্বাক ক'লে, "হিড়িম্বা, তুমি এই মোহিনীৰূপ এৰি প্ৰকৃত ৰাক্ষসী ৰূপ লৈ গুচি যোৱা; নহ'লে তোমাকো হিড়িম্বৰ দৰেই যমালয়লৈ পঠাম।"

ধৰ্মৰাজে ভীমক ক'লে, "ভীম, এনেহেন কথা ক'ব নাপায়। তুমি এজনী



আৰু সেইহে তাৰ নাম হ'ল ঘটোৎকচ, অৰ্থাৎ — উৎকচ-কেশৰহিত—ঘট।

ঘটোৎকচে তাৰ মাতৃ-পিতৃক ক'লে, “যদি মোৰদ্বাৰা কিবা কাৰ্য্য সাধিবৰ হয়, মোক সুৱঁৰিব, মই তৎমুহূৰ্ত্ততে সুপ্ৰস্তুত আপোনালোকৰ সমুখত ওলামহি।”

এই বুলি কৈয়েই ঘটোৎকচ ওলাই পৰিল তাৰপৰা আৰু নিৰ্ধাৰিত নিয়ম অনুসাৰে ভীমসেনৰপৰা অনুমতি লৈ হিড়িম্বাও তেতিয়া তাৰপৰা গুচি গ'ল।

পাণ্ডৱসকলে তেতিয়াবল্কল-বস্ত্ৰ পৰিধান কৰিলে, আৰু ব্ৰাহ্মণকোঁৱৰৰ বেশেৰে ত্ৰিগৰ্ত, পাঞ্চাল আৰু কীচক দেশত পৰিভ্ৰমণ কৰি কৰি বহুদূৰ দূৰৱৰ্তী ঠাইলৈ গ'ল।

আৰু হিড়িম্বাই ভীমক লগত লৈ আকাশপথেৰে উৰি উৰি গুচি গ'ল, আৰু কেতিয়াবা পৰ্বত-শিখৰত, কেতিয়াবা গুহাত, কেতিয়াবা নদী-তটত এক উদ্দাম আনন্দ আবেগ-ময়, জীৱন অতিবাহিত কৰা হ'ল। হিড়িম্বা আৰু ভীমে ঐহিক ইচ্ছা পূৰণ কৰিলে। কালক্ৰমে হিড়িম্বা গৰ্ভৱতী হ'ল আৰু এটি পুত্ৰসন্তানৰ জন্ম দিলে। সেই পুত্ৰ প্ৰসৱিত হোৱামাত্ৰেই ডাঙৰ-দীঘল হ'ল আৰু মাতা-পিতাক প্ৰণাম কৰি উঠি থিয় দিলে। এই পুত্ৰ-সন্তানটিৰ মস্তকত এডালি কেশও নাছিল, তাৰ মস্তক আছিল একেবাৰে টকলা,

এইদৰে অ'লৈ ত'লৈ গৈ থাকোঁতে এঠাইত ব্যাসৰ সতে দেখাদেখি হ'ল। সকলো পাণ্ডৱে ব্যাসক সবিনয়ে প্ৰণাম কৰিলে।

ব্যাসে ক'লে, “তোমালোক আৰু কৌৰৱ মোৰ দৃষ্টিত একেই। কিন্তু তেওঁলোকে তোমালোকৰ সৈতে অন্যায় কৰিলে। ইমান কোমল বয়সতে কঠিন অৱস্থাত তোমালোকৰ দেখা পাই মোৰ অন্তৰ ব্যথিত। কিন্তু তোমালোক দুশ্চিন্তিত বা দুঃখিত নহ'বা। একচক্ৰপুৰ

এই স্থানৰ নিকটৱৰ্তী এক অতি মনোহৰ আৰু স্বাস্থ্যকৰ স্থান। আত্মপৰিচয় গোপন কৰি তাত তোমালোকে কিছুদিন অতিবাহিত কৰাগৈ।"

–স্বয়ং ব্যাসেই পাণ্ডৱসকলক একচক্ৰ-পুৰলৈ লৈ গ'ল। তাত এক ব্ৰাহ্মণৰ গৃহত পাণ্ডৱসকলৰ বাবে থকা-মেলাৰ বন্দৱস্ত কৰিলে। ব্যসে কুন্তীক ক'লে, "দেৱী, ইয়াত আপোনালোক এমাহলৈ থাকক। মই ইতিমধ্যে পুনৰ আহিম।" এই বুলি কৈ, ব্যাস তাৰপৰা গুচি গ'ল।

কুন্তীদেৱী আৰু পাণ্ডৱসকল তাতে থাকিল। তেওঁলোকে মিলাপ্ৰীতিৰে তাত থাকিছিল আৰু জোখে-জোখাৰে ভিক্ষা পাইছিল—যি ভিক্ষান্নৰে সহজভাবেই জীৱনধাৰণ কৰিব পাৰিছিল। পঞ্চপাণ্ডৱে লৈ অহা খাদ্যান্ন কুন্তীয়ে দুভাগেৰে ভগাইছিল, এভাগ ভীমৰ, আৰু দ্বিতীয় ভাগ আন সকলোটিৰ বাবে। আৰু এই দ্বিতীয় ভাগৰপৰা অতিথি-সেৱাও কৰা হৈছিল যথোচিতভাবে।

এদিন ধৰ্মৰাজ, অৰ্জুন, নকুল, সহদেৱ ভিক্ষালৈ নগৰলৈ ওলাল, কেৱল ভীম আৰু কুন্তী ঘৰত থাকিল। আৰু ঠিক তেতিয়াই ব্ৰাহ্মণৰ ঘৰত ক্ৰন্দনধ্বনি শ্ৰুত হ'ল।

কুন্তীয়ে ভীমক ক'লে, "ব্ৰাহ্মণৰ কিবা বিপদ হৈছে যেন পাওঁ। তেওঁ আমাক থাকিবলৈ দি কিমান উপকাৰ কৰিলে। গতিকে—তেওঁৰ বিপদৰ খবৰ ল'ব লাগে। আমাৰদ্বাৰা যদি কিবা উপকাৰ হয়, আমি কৰিম।" এই বুলি কৈ—কুন্তী ব্ৰাহ্মণৰ ঘৰলৈ গ'ল।

কুন্তীয়ে দেখা পালে যে—পুত্ৰ-পুত্ৰী আৰু পৰিবাৰক কাষত বহুৱাই লৈ ব্ৰাহ্মণে কান্দিব ধৰিছে। ব্ৰাহ্মণৰ ক্ৰন্দনৰ কাৰণ কি—সেই কথা জানিবলৈ কুন্তী ব্ৰাহ্মণৰ কাষত বহিলগৈ। [আগলৈ



বয়স কিমান

কোদণ্ড নামৰ অৱস্থাপন্ন খেতিয়ক এজনক গৰখীয়া ল'ৰা এটা লাগে। কথাটো কোদণ্ডই গাঁৱৰে দশৰথক ক'লে, "জাৰে-জহে-বাৰিষাই দূৰ দূৰণিলৈ গৰু-ছাগলীৰ জাক চৰাবলৈ যাব লাগিব। গতিকে —যিটোক ল'ৰা—সোতৰতকৈ বিছৰ বেছি বয়স নহয় যেন চাবা।"

কোদণ্ডই এই বাবে দশৰথক দহটকীয়া এখন তেতিয়াই দিলে। নগদে নগদ দহটকীয়াখন পাই দশৰথে দেউতা-আধ্যা দি ক'লে, "হ'ব—হ'ব, বুইছু, এটা তজবজা ল'ৰা লাগে, যাৰ বয়স—তেৰ কি সতোৰ হ' লাগে, যিটোৱে আপনাৰ গৰু-ছাগলীগিলাকতকৈও জোৰেৰে দৌৰিব পৰা হ' লাগে।"

পাছদিনাই এজন মানুহ কোদণ্ডৰ ওচৰলৈ আহিল। মানুহজনে কোদণ্ডক প্ৰণাম কৰিলে আৰু ক'লে, "মোৰ নাম পিলু। মোক দশ'থ দৌতাই আপনাৰ ওচ'ত পঠাইছি।"

কোদণ্ডই মানুহজনৰ ভৰিৰপৰা মূৰলৈকে চালে আৰু ক'লে, "মই দশৰথক সোতৰৰপৰা বিছ বছৰীয়া এটাকহে পঠাবলৈ কৈছিলোঁ। তোমাৰ বয়স কমেও ত্ৰিছ বা সাতাইছ-আটাইছ যেন পাওঁ।"

পিলুৱে ক'লে, "তেনেক' নক'ওক দৌতা। মই খীণ-মীন বুলিহে দেখাত তেংকুৰ', আচলতে —মোৰ আচল বয়স—সোল্ল।"

কোদণ্ডই ক্ষন্তেকমান ভাবি লৈ ক'লে, "ঠিক আছে, কামত লাগি যোৱা তেন্তে। এতিয়া সৌতাত তোমাৰ কাম, সৌ যে নিমখৰ গুদাম – চাবা—নিগনিবোৰে নিমক নাখায় যেন।"

পিলুৱে আচৰিত হৈ কৈ উঠিল, "কি কয়! নিগনিয়ে নিমখ খায়! হেন কথা মই মোৰ চলিছ বছৰীয়া জীৱনতো শুনা নাই!"

চান্দমামা ক্রোড়পত্র-৭৮	ভাৰতৰ বৃক্ষৰাজি

বাগিয়াল মহুৱা

ভালুকবিলাকে মৌ খাবলৈ যে ভালবো ভাল পায়, সকলোটিয়েই জানে। উত্তৰ ভাৰতৰ, বিশেষকৈ গুজৰাট, মধ্যপ্ৰদেশ, আৰু উত্তৰ প্ৰদেশৰ ভালুকবোৰে মহুৱা ফুল দন টানি খাই মিঠা মিঠা মহুৱাৰ ৰাগিৰে মাতাল হৈ ঢলংপলং কৰাৰ দৃশ্য বহুতেই দেখে। উত্তৰ ভাৰতৰ মহুৱা বনাঞ্চলত প্ৰচুৰ ওপজে, আৰু সেইবোৰ ঠাইৰ বন-জনজাতিৰ মানুহে ভাতৰ সলনিও মহুৱা খায়। ৰাতিৰ পৰতে ফুলা মহুৱা ফুল যেতিয়া বেলি নৌওলাওঁতেই সৰি পৰে, সেই বনজনইঁতে বুটলি লৈ যায়। এই ফুল শুকাই সংৰক্ষিতো কৰিব পাৰি, আৰু গোটেই বছৰ জুৰি সিজাই, বা মিঠাই বনাই খাব পাৰি। এসময়ত মৰাঠা শাসকসকলে মহুৱা গছ কাটি পেলাই বিদ্ৰোহী জনজাতীয়ইঁতক শাস্তি প্ৰদান কৰিছিল।

ধপলা ধপল পাতেৰে, খৰালি পাত সৰি লঠা হোৱা এবিধ ২০ মিটাৰলৈকে ওখ গছ; ডাঠ, মজবুত পাহিৰে সোৱাদ সোৱাদ ফুল ফুলা, আৰু পশু-মানুহ দুয়োবিধ প্ৰাণীয়েই খোৱা ফুল হ'ল এই মহুৱা। মহুৱাৰে খাদ্যও প্ৰস্তুত হ'য়, মদ্যও প্ৰস্তুত হয়; যদিও এই গছ অসমত পৰিদৃষ্ট নহয়। মহুৱা গছৰ ওপৰৰ ফালে ডাঠ কোমল আহল-বহল পাত ওপজে। মহুৱাৰ ফলৰ বৰণ সেউজীয়া, ফুলৰ বৰণ পাতল হালধীয়া। মহুৱা গছৰ কাঠ যদিও মজবুত, তথাপি মহুৱা গছ কটা নহয় তাৰ ফুল-ফল তথা খাদ্যমূল্যৰ বাবে। মহুৱাৰ ঔষধি মূল্যও প্ৰচুৰ। মহুৱাৰ ফল-ফুল-ছাল-পাত — প্ৰতিবিধেই ঔষধৰ প্ৰয়োজনীয় বস্তু। মহুৱাক সংস্কৃতত মধুক, গুজৰাতিত মহুদা, বাংলাত মহুৱা, তামিলত ইলুপাই, তেলুগুত ইপ্পা, মালয়ালমত লুপ্পা আৰু ইংৰাজি ইণ্ডিয়ান বাটাৰ ট্ৰি বোলে।

ভাৰতৰ ঋষিকুল

বিশ্বামিত্ৰ

মহামুনি বশিষ্ঠৰ কথা পাঠ কৰিলেই বিশ্বামিত্ৰৰ কথাও মনত উদয় হোৱাটো স্বাভাৱিক।

বিশ্বামিত্ৰও এগৰাকী খ্যাতনামা মুনি, কিন্তু তেওঁ বশিষ্ঠৰ প্ৰতি ঈৰ্ষাৰ উৰ্ধত উঠিব পৰা নাছিল; আৰু এয়ে আছিল তেওঁৰ দুৰ্বলতা।

সত্যব্ৰত নামৰ এজন ৰাজকোঁৱৰ আছিল অতি উদণ্ড আৰু লালসাপূৰ্ণ। তেওঁৰ পিতাদেৱে তেওঁক ৰাজ্যৰপৰা বহিষ্কৃত কৰিছিল আৰু তেতিয়াৰপৰা তেওঁ বনত বাস কৰিছিল।

এই বনতে বিশ্বামিত্ৰও সপৰিয়ালে বাস কৰিছিল। এবাৰ বিশ্বামিত্ৰ দীৰ্ঘদিনৰ বাবে দূৰণিবটীয়া ঠাইলৈ গৈছিল আৰু ঠিক তেতিয়াই তাত আকালে দেখা দিছিল। বিশ্বামিত্ৰৰ ল'ৰা-ছোৱালী আৰু পৰিবাৰ দিনৰ পাছত দিন ধৰি অনাহাৰত আছিল।

এদিন ৰাজকোঁৱৰ সত্যব্ৰতই বনত কোনো চিকাৰ নাপাই বশিষ্ঠমুনিৰ পোহনীয়া জন্তু এটাক হত্যা কৰি তাৰ মাংস নিজে খালে, আৰু অনাহাৰ-ক্লিষ্ট বিশ্বামিত্ৰৰ পুত্ৰ-কন্যা-পৰিবাৰলৈকো দিলে।

বশিষ্ঠই এই কথা জ্ঞাত হৈ সত্যব্ৰতক অভিশাপ দিলে।

কিন্তু বিশ্বামিত্ৰ উভতি আহি যেতিয়া তেওঁ এই নিৰ্বসিত ৰাজকোঁৱৰৰ শলাগ ললে আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলে।

কেইবছৰমানৰ অন্তত সত্যব্ৰতক তেওঁৰ পিতৃয়ে পুনৰ মতাই নিলে। পিতৃৰ মৃত্যুৰ অন্তত সত্যব্ৰত ৰজা হ'ল।

বশিষ্ঠ আছিল এই ৰাজপৰিয়ালৰ পুৰোহিত সত্যব্ৰতই সশৰীৰে স্বৰ্গলৈ যাব বুলি স্থিৰ কৰি পুৰোহিত বশিষ্ঠক তাৰ বাবে কিবা ধৰণৰ মহাযজ্ঞ পাতিবলৈ কোৱাত বশিষ্ঠক ক'লে যে এনেহেন যজ্ঞ সম্ভৱ নহয়, সশৰীৰে কোনেও স্বৰ্গলৈ যাব নোৱাৰে।

কিন্তু সত্যব্ৰতই বশিষ্ঠৰ কথা নামানিব, তেওঁ সশৰীৰে স্বৰ্গলৈ যাব। এই কথাত বশিষ্ঠ আৰু সত্যব্ৰতৰ মাজত খকা-খুন্দা লাগিল। বশিষ্ঠই সত্যব্ৰতক 'ত্ৰিশংকু' বুলি ককৰ্থনা কৰিলে। 'ত্ৰিশংকু'ৰ অৰ্থ হ'ল — ত্ৰিবিধ পাপলিপ্ত মনুষ্য।

সত্যব্ৰত সেইহে তেওঁৰ আদি নামতকৈ 'ত্ৰিশংকু' নামেৰে জনাজাত। যিকি নহওক বশিষ্ঠ-মুনিও আঁকোগোঁজ, সত্যব্ৰতও এনেবিধৰ ভকত নাছিল। তেওঁ বহু চেষ্টাৰে এখন মহাযজ্ঞ পাতিলে, আৰু তাৰ সুফলস্বৰূপে স্বৰ্গৰ দুৱাৰ-মুখলৈকো গ'ল। কিন্তু স্বৰ্গস্থ দেৱতাসকলে সত্যব্ৰতক স্বৰ্গৰাজ্যত সোমাবলৈ নিদিলে, আৰু তথাপি সত্যব্ৰতই সোমাবলৈ জবৰদস্তি কৰাত দেৱ প্ৰহৰীয়ে সত্যব্ৰতক স্বৰ্গৰপৰা ঠেলি পেলাই দিলে।

সত্যব্ৰতই বিপুল বেগেৰে পুনৰ মৰ্ত্যলোকলৈ পৰিবলৈ ধৰাত বিপদগ্ৰস্ত সত্যব্ৰতই বিশ্বামিত্ৰ-মুনিৰ নাম লৈ চিঞৰি থাকিল।

"য'তে আছা—তাতে থাকাঁ!"

সত্যব্ৰতৰ চিঞৰ শুনি বিশ্বামিত্ৰই চিৎকাৰ কৰি ক'লে আৰু তেওঁৰ তপোশক্তিৰে স্বৰ্গ আৰু মৰ্ত্যৰ মাজতে মহাশূন্যত সত্যব্ৰতৰ বাবে নতুনকৈ এক স্বৰ্গ সৃষ্টি কৰিলে, যি নতুন স্বৰ্গত সত্যব্ৰত তথা 'ত্ৰিশংকু' সশৰীৰে এই 'ত্ৰিশংকু স্বৰ্গত' বসবাস কৰি থাকিল।

এইবোৰ কাহিনীৰ গূঢ়াৰ্থ নথকা নহয়; কিন্তু সেই গূঢ়াৰ্থৰ উদ্ধাৰ বৰ কঠিন।

বিশ্বামিত্ৰৰ তপোশক্তি বিনষ্ট কৰাৰ বাবে দেৱৰাজ ইন্দ্ৰই সুন্দৰী অপ্সৰা মেনকাক বিশ্বামিত্ৰৰ ওচৰলৈ পঠাইছিল, আৰু মেনকাও মোহ গৈ বিশ্বামিত্ৰই মেনকাক বিবাহ কৰাইছিল। এই মিলনৰ ফলত শকুন্তলাৰ জন্ম হৈছিল, যিজনী শকুন্তলাক ৰজা দুষ্মন্তই বিবাহ কৰিছিল। দুষ্মন্ত শকুন্তলাৰ মিলনত যিটি পুত্ৰ সন্তান উপজিছিল, তাৰ নাম আছিল ভৰত। কোৱা হয়, ভৰতৰ নামানুসাৰে আমাৰ দেশৰ নাম ভাৰত।

অন্য এক কাহিনীতো বিশ্বামিত্ৰ মুনিৰ নাম প্ৰোজ্জল। এই কাহিনী ত্ৰিশংকু-পুত্ৰ ৰজা হৰিশ্চন্দ্ৰৰ শাশ্বত কাহিনী।

বশিষ্ঠই যুৱা ৰজা হৰিশ্চন্দ্ৰৰ প্ৰশংসা কৰাত বিশ্বামিত্ৰই ৰজা হৰিশ্চন্দ্ৰক কঠোৰ পৰীক্ষা কৰিবলৈ মনস্থ কৰি বৃদ্ধ ব্ৰাহ্মণৰ ছদ্মবেশত দান-প্ৰাৰ্থনা কৰিলে। ৰজা হৰিশ্চন্দ্ৰই যেতিয়া বিশ্বামিত্ৰই বিচৰা যিকোনো বস্তু দান কৰিবলৈ প্ৰতিজ্ঞা কৰিলে, বৃদ্ধ ব্ৰাহ্মণৰূপী বিশ্বামিত্ৰই ৰজা হৰিশ্চন্দ্ৰৰ ৰাজ্য, ধন-ঐশ্বৰ্যাদি প্ৰাৰ্থনা কৰিলে। আনকি দানৰ দক্ষিণাস্বৰূপে ৰজা হৰিশ্চন্দ্ৰই আৰু তেওঁ ৰাণীয়ে তেওঁৰ ক্ৰীতদাসত্ব কৰিব লাগিব বুলিও দাবী জনালে।

ৰজা হৰিশ্চন্দ্ৰই ব্ৰাহ্মণৰূপী বিশ্বামিত্ৰক সৰ্বস্ব দান কৰাৰ উপৰিও বিশ্বামিত্ৰৰ প্ৰহৰীৰ কাম কৰি থাকিল আৰু ৰাণী শৈব্যাই বিশ্বামিত্ৰৰ ঘৰুৱা কাম-বন কৰি থাকিল, আনকি তেওঁলোক ৰোহিতশ্ব নামৰ সৰু ল'ৰাটিয়েও গেবাৰি খাটি থাকিল।

তাৰ পাছত এদিন সৰু ল'ৰাটিক সাপে খুটিলে। ল'ৰাটিক দাহ কৰাৰ বাবে শ্মশানলৈ লৈ যোৱা হ'ল, আৰু ৰজা হৰিশ্চন্দ্ৰ আৰু ৰাণী শৈব্যাই পুত্ৰৰ চিতাতে প্ৰাণাহুতি দিব বুলি স্থিৰ কৰিলে।

কিন্তু ঠিক তেতিয়াই দেৱতাসকল তেওঁলোকৰ সমুখত সমুপস্থিত হ'ল আৰু মহামুনি বিশ্বামিত্ৰয়ো তালৈ উপস্থিত হৈ কঠোৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা ৰজা হৰিশ্চন্দ্ৰ আৰু ৰাণী শৈব্যাক তেওঁলোকৰ মৃত পুত্ৰৰ পুনৰ্জীৱন দান কৰি ৰাজ্যপাট সমৰ্পিলে।

জানিবলগীয়া

১. ভাৰতীয় অংগৰাজ্যৰ 'সপ্ত ভগিনী' কি কি ?
২. ডায়নামোৰ আৱিষ্কৰ্তা কোন ?
৩. সুনীল গাওস্কৰে প্ৰথম শ্ৰেণীৰ ক্ৰিকেটৰপৰা কেতিয়া অৱসৰ লৈছিল ?
৪. আফ্ৰিকা মহাদেশৰ বৃহত্তম নগৰখন ?
৫. ভাৰতৰ কোন ঠাই 'তুলু' দোৱান ব্যৱহৃত হয় ?
৬. ছামুৰাই নামৰ নিৰ্ভীক যোদ্ধাইতৰ বাসভূমি কত ?
৭. ভাৰতৰ বাতৰি-কাকত সমূহৰ মাজত আটাইতকৈ পুৰণি কোনখন ?
৮. পৃথিৱীৰ আটাইতকৈ বৃহৎ ঘণ্টা ?
৯. মৌৰ্য্য ৰাজত্বৰ প্ৰতিষ্ঠাতা ?
১০ টিউনিছিয়াৰ প্ৰাচীন নাম কি ?
১১. আমেদাবাদ চহৰ কোনখন নৈৰ পাৰত ?
১২. ৰামচন্দ্ৰনিৰ্মিত লংকালৈ যোৱাৰ সেতুৰ নাম····· ?
১৩. পৃথিৱীৰ সৰ্ববৃহৎ উপসাগৰ ?
১৪. উৎকলদেশৰ বৰ্তমান নাম কি ?
১৫. প্ৰথম টেস্ট ম্যাচ কোনগৰাকী ভাৰতীয়ই খেলিছিল ?
১৬. টেলিভিজনৰ আৱিষ্কৰ্তা কোন ?

জানক

১. অৰুণাচল, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগাল্যাণ্ড আৰু ত্ৰিপুৰা।
২ মাইকেল ফ্যাৰাডে।
৩. ১৯৮৭ চনত।
৪. কায়ৰো, ১০০০ বছৰৰ আগতে প্ৰতিষ্ঠিত।
৫. দক্ষিণ কানাড়া, কৰ্নাটকাত।
৬. জাপান।
৭ বম্বে সমাচাৰ।
৮. মস্কোৰ ঘণ্টা।
৯ চন্দ্ৰগুপ্ত মৌৰ্য্য, তেওঁৰ মাতৃ 'মুৰা'ৰ নামৰপৰা 'মৌৰ্য্য' হৈছিল।
১০. কাৰ্থিজ।
১১. সবৰমতী নৈ।
১২. আদমৰ সেতু।
১৩. বংগোপসাৰ।
১৪. ওড়িশা।
১৫. কে. এছ. ৰণজিৎ সিংজী, ৰণজী ক্ৰিকেট।
১৬. জন লোজি বেইৰ।

জয়ঘণ্টা আৰু দেশপ্ৰেম

ৰত্নগিৰিৰ ৰজা সত্যদেৱ সাহিত্যপ্ৰেমী ৰজা। তেওঁ তেওঁৰ ৰাজসভাত বহুতো সাহিত্যসেৱীক আশ্ৰয় দিছিল আৰু তেওঁলোকৰ জীৱিকাৰ বন্দৱস্ত কৰিছিল।

এবাৰ তেওঁ এক সৰ্বকলা-সন্মিলন পাতিলে। এই মহৎ সন্মিলনত বহু সংখ্যক শিল্পী সাহিত্যিক কবি-পণ্ডিত যোগদান কৰিছিল। বিভিন্ন প্ৰতিযোগিতা তথা তৰ্ক-বিতৰ্কৰ মাধ্যমেদি এই কথা নিঃসংশয়ে প্ৰমাণিত হৈছিল যে মহাৰাজৰ ৰাজসভাৰ পণ্ডিত অন্যান্য পণ্ডিতৰ তুলনাত শ্ৰেষ্ঠ।

এই প্ৰমাণিত সত্যৰ চিহ্নস্বৰূপে মহাৰাজ সত্যদেৱে বিশিষ্ট শিল্পীৰদ্বাৰা এটি জয়ঘণ্টা নিৰ্মাণ কৰালে, আৰু ঘোষণা কৰিলে যে তেওঁৰ ৰাজসভাৰ পণ্ডিতক যদি কোনোবা পণ্ডিতে তৰ্ক-বিচাৰত পৰাজিত কৰিব পাৰে, তেনেহ'লে বিজয়ী পণ্ডিতক এই জয়ঘণ্টা দিয়াৰ উপৰিও এক-সহস্ৰ স্বৰ্ণমুদ্ৰা পাৰিতোষিক দিয়া হ'ব।

এই ঘোষণাৰ মতে বহু পণ্ডিত আহিল-গ'ল, কিন্তু কোনেও ৰাজসভাৰ পণ্ডিতক পৰাজিত কৰিব নোৱাৰিলে।

তাৰ পাছত—এদিন এক বহুভাষাবিদ উচ্চশ্ৰেণীৰ পণ্ডিত উদিতপুৰ নামৰ ৰাজ্যৰ-পৰা আহিল। এই পণ্ডিতগৰাকীৰ নাম আছিল কংকণ পণ্ডিত।

পণ্ডিত কংকণ আৰু মহাৰাজ সত্যদেৱৰ ৰাজসভাৰ পণ্ডিতৰ মাজত কেইবাদিনো ধৰি তৰ্ক-বিচাৰ চলিল; কিন্তু কোনো মীমাংসা নহ'ল। কিন্তু পঞ্চম দিনৰ দিনা কংকণ পণ্ডিতৰ বিজয়ী হোৱাৰ লক্ষণ পৰিলক্ষিত হ'ল। সৰ্বপ্ৰকাৰৰ

বিজয় বৰুৱা

আৰু—সপ্তম দিনৰ দিনা পণ্ডিতশ্ৰেষ্ঠ কংকণৰ বিজয় ঘোষিত হ'ল, ৰাজসভাৰ পণ্ডিতে নিজৰ পৰাজয় মানি ল'লে। মহাৰাজ সত্যদেৱ এই ফলাফলত অত্যান্ত বেদনাহত হ'ল। কিন্তু তেওঁ তেওঁৰ ঘোষণা মতে পণ্ডিতশ্ৰেষ্ঠ কংকণক সেই জয়ঘন্টা, আৰু এহেজাৰ স্বৰ্ণ-মুদ্ৰাও পাৰিতোষিক হিচাপে প্ৰদান কৰিলে।

তাৰ পাছত—বিজয়গৰ্বৰে দোলাত উঠি পণ্ডিত কংকণ তেওঁৰ নিবাসস্থললৈ বুলি যাত্ৰা কৰিলে। গৈ গৈ যেতিয়া ৰত্নগিৰি ৰাজ্যৰ সীমা পালেগৈ, তেতিয়া সুতপ নামৰ গৰখীয়া এজনে পণ্ডিত কংকণৰ দোলা ৰখালে। গৰখীয়া সুতপ পণ্ডিত কংকণৰ ওপৰত বিতুষ্ট হৈ আছিল। ৰাজসভাৰ বিজ্ঞ পণ্ডিতৰ পৰাজয়ত সুতপৰ দেশপ্ৰেম আহত হৈছিল।

সুতপে পণ্ডিত কংকণক ক'লে, মহোদয়, মই আপোনাক তিনিটা প্ৰশ্ন কৰিম। যদিও মই লিখা-পঢ়া নজনা, তথাপি মোৰ মাজত যিকণ লোকজ্ঞান আছে, তাৰে আধাৰত প্ৰশ্ন তিনিটা সুধিম। এই প্ৰশ্ন প্ৰশ্ন তিনিটাৰ উত্তৰ আপুনি দিব লাগে। প্ৰ ম প্ৰশ্নৰ সঠিক উত্তৰ দিব নোৱাৰিলে আমাৰ দেশৰ জয়ঘন্টা আপুনি ঘুৰাই দিবলাগিব; যদি দ্বিতীয় প্ৰশ্নৰ উত্তৰে দিব নোৱাৰে, সেই এহেজাৰ সোণৰ মুদ্ৰাও প্ৰত্যৰ্পণ কৰিব লাগিব।—মোৰ এই চৰ্ত

আপুনি অনুগ্ৰহ কৰি মানিবনে ?"

পণ্ডিতশ্ৰেষ্ঠ কংকণে ক'লে, "কি তোমাৰ প্ৰশ্ন— ?"

"মোৰ প্ৰথম প্ৰশ্ন হ'ল—জানিলেহে ক'ব পাৰি, ক'ব পাৰিলেহে জানিব পাৰি। ভাবিলেহে জানিব পাৰি—কি ?"

পণ্ডিত কংকণে হো হোকৰে হাঁহিৰে ক'লে, "মনুষ্য।"

"নহয়, নহ'ল। কোনো মনুষ্য এই প্ৰশ্নত নাই। এই প্ৰশ্ন হ'ল—সম্পূৰ্ণ এক অৰ্থহীন প্ৰশ্ন—যাৰ উত্তৰ নাই।"

শুনি কংকণ পণ্ডিত শেঁতা পৰিল।

"মোৰ দ্বিতীয় প্ৰশ্ন হ'ল—এজোপা গছ। গছজোপাৰ দুখন ঠাল। একোখন ঠালত পাঁচ পাঁচ বহি আছে। পাঁচোটাৰ ডিঙি কটা গ'ল, কিন্তু এটুপিও তেজ নোলাল, বা এটাও নমৰিল।—কি ?" সুতপে পুনৰ সুধিলে।

পণ্ডিত কংকণে বহু সময় ধৰি ভাবি চালে আৰু তাৰ পাছত বেদান্তৰ আধাৰত অস্পষ্ট ভাবে কিবাকিবি উত্তৰ দিলে।

কিন্তু সুতপে ক'লে, "এই উত্তৰ উত্তৰ নহয়। গছ মানে—মানুহ, দুখন ঠাল মানে—দুখন হাত। ঠালত পাঁচটা বহি থকাৰ অৰ্থ হ'ল—পাঁচটা আঙুলি, ডিঙি মানে আঙুলিৰ নখ, নখ কাটিলে তেজ নোলায়, বা নমৰে।"

কংকণে গহীন মাতেৰে সুতপক



সুধিলে, "তোমাৰ তৃতীয় প্ৰশ্ন কি—?"

"সুবিশাল সৌশিল্য দেশত সুশীলৰ-পৰা আৰম্ভ কৰি ৰত্নভূপালে শাসন কৰিছিল। সেই পৰম্পৰাত সৰ্বোত্তমৰ মৃত্যুৰ আগতে সৌশিল্যৰ ৰজা কোন আছিল?" সুতপে পণ্ডিত কংকণক তৃতীয় প্ৰশ্ন সুধিলে।

"এই প্ৰশ্নৰ উত্তৰ তেনেই সহজ। সৰ্বোত্তমৰ আগতে ৰজা আছিল ৰাজবৰ্ধন।" পণ্ডিত কংকণে মিচিক-মাচাকৈ হাঁহি হাঁহি সুতপক ক'লে।

কংকণপণ্ডিতৰ উত্তৰ শুনি সুতপে হাঁহি মাৰি ক'লে, "আপুনি এই প্ৰশ্নটোক অতি সাধাৰণ প্ৰশ্ন বুলি ভাবিছে, সেই কাৰণেই উত্তৰত ভুল হৈছে। সৰ্বোত্তম ৰজাৰ মৃত্যুৰ আগতে সৰ্বোত্তমেই সৌশিল্য দেশৰ ৰজা আছিল।"

পণ্ডিত কংকণে এইবাৰো নিজৰ ভুল বুজি পালে আৰু নিজৰ পৰাজয় মানি লৈ, দোলাৰ পৰা নামি আহি মহাৰাজ সত্যদেৱৰ ওচৰলৈ গৈ জয়ঘণ্টা আৰু সহস্ৰ স্বৰ্ণমুদ্ৰা ওভোতাই দিলে।

সম্পূৰ্ণ ঘটনাৰ কথা শুনি মহাৰাজ সত্যদেৱ তথা সমগ্ৰ ৰাজসভা আনন্দৰ জোৱাৰত উটিল।

মহাৰাজৰ প্ৰশ্নৰ উত্তৰত গৰখীয়া সুতপে ক'লে, "মহাৰাজ! ময়ো একালৰ বিদ্বান পৰিয়ালৰ ল'ৰা। কিন্তু নিচেই সৰুতে মাতৃ-পিতৃহীন হৈ পৰাত বাধ্যত পৰি গৰখীয়া হ'লোঁ। মই এজন দেশপ্ৰেমিক হোৱাত দেশৰ এই অপমান সহ্য কৰিব নোৱাৰি নলগা জেঙাত লাগিছিলোঁ।"

"তুমি নহয়—" মহাৰাজে ক'লে, "পণ্ডিত কংকণেহে নলগা জেঙাত লাগি নিজৰ পেঁচ পাতি পেঁচত পৰিল।"

মহাৰাজে দেশৰ বাবে সুতপৰ সুকাৰ্য্যৰ তথা মহৎ দেশপ্ৰেমৰ শলাগ লৈ তাক ৰাজকীয় কাৰ্য্যত নিযুক্ত কৰিলে।



প্ৰশ্ন

কুবেৰ আছিল এজন চহকী খেতিয়ক। কুবেৰৰ ঘৰৰ কাষতেই আছিল কমলাইঁতৰ জুপুৰি ঘৰ। কমলা দুখুনী বাঁৰী তিৰোতা, তাইৰ জুপুৰি কাষত যিকণ মাটি আছিল, তাতে ফুলৰ খেতি কৰিছিল, আৰু সেই ফুল বেচি কথমপি চলিছিল পঁ'চ বছৰীয়া নাতি ল'ৰাটোৰে সৈতে। পো-বোৱাৰী কেতিয়াবাই ঢুকাল, ঢুকাল গিৰিয়েও।

কুবেৰৰ চকু পৰিল কমলাৰ মাটি-ডৰালৈ, পাৰিলে তাইক খেদি মাটিডৰা নিজৰ কৰি ল'বলৈ।

এদিন কুবেৰে কমলাক মতাই অনাই ক'লে, "কথা এটি কওঁ তোমাক, কমলা, তুমি এতিয়াৰপৰা আন ক'ৰবাত থকা-মেলাৰ দিহা কৰা। কিয়নো—যিডৰা মাটিক তুমি তোমাৰ বুলি জানিছা, আচলতে মোৰ। তোমাক মই কিছুখিনি টকা-সিকা দিম, সেইখিনি লৈ আন ক'ৰবালৈ গুচি যোৱা।"

কমলাই কুবেৰক ক'লে, "এই জুপুৰি-য়েই আমাৰ একমাত্ৰ আশ্ৰয়। আমাৰনো আৰু কি আছে? ক'লৈনো যাম?"

কুবেৰে গমিলে যে পোন আঙুলিৰে ঘিঁউ নুঠিব। গতিকে বেঁকাকৈ ধমকিৰে ক'লে, "তই কালিলৈয়েই ইয়াৰপৰা গুচিবি, নহ'লে কি গছৰ গুটি খালে মানুহ মৰে—জানিবি।"

কমলাই ফেঁট মেলি কুবেৰক খুটিলে, "মোৰ মাটিত আপোনাৰ অধিকাৰ কি?"

কুবেৰে বুজিলে যে এইক পোন কথাৰে পোনাব পৰা নহ'ব। গতিকে—পাছদিনা চাকৰৰ হতুৰাই কুবেৰে কমলাৰ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

ঘৰৰ বস্তু-বাহানি দলিয়াই পেলালে আৰু জুপুৰি ঘৰটোও ভাঙি দিলে। কুবেৰে জানে, গাঁৱত তাৰ নোম এডালিও পোনাব পৰা কোনো ক'তো নোলাব।

কমলাই কান্দি কান্দি গাঁওবুঢ়াক ক'লেগৈ ঘটনাৰ কথা। গাঁওবুঢ়াই পঞ্চায়ত মাতিলে আৰু তাত দহো ৰাইজৰ আগত কুবেৰক ঘটনাৰ কথা সুধিলে।

"এই কমলা বুঢ়ীৰ পো-ৰে মোৰপৰা পাঁচশ টকা ধাৰলৈ লৈছিল। কৰ্জা-পত্ৰ মই লৈয়েই আহিছোঁ আপোনাসৱক দেখুৱাবলৈ। তাইৰ পো-গিৰিয়েক চব মৰিল, কিন্তু মোৰ ধনখিনি নিদিয়াকৈয়েই সিহঁত সিপুৰীলৈ পলাল। গতিকে—ইমান দিনৰ পাছত মই সিহঁতৰ মাটিডৰা ল'লোঁ।" কুবেৰে নকলী কৰ্জা-পত্ৰ গাঁওবুঢ়াক দেখুৱালে। কুবেৰে জানিছিল যে তাৰ বিৰুদ্ধে মাত মাতিবৰ দাঁত গাঁওবুঢ়াৰ বা আন কাৰো নহ'ব।

কথা কুবেৰে ভবা মতেই হ'লগৈ। পঞ্চায়তে কুবেৰৰ পক্ষেই ৰায় দিলে।

তাৰ পাছত—বাধ্যত পৰি সেই ঠাই এৰি — কমলাই সেই মাটিডৰাৰপৰা অলপমান আঁতৰত জুপুৰি ঘৰ এটা সাজি ল'লে আৰু তাতো ফুলৰ খেতি কৰি ফুল বেচি আইতাক-নাতিয়েকে পেট প্ৰৱৰ্তাবলৈ ধৰিলে।

কিছুদিনৰ অন্তত কুবেৰে কমলাৰ



আগৰ জুপুৰিটোৰ ঠাইত পকীঘৰ সাজিবলৈ কাম আৰম্ভ কৰিলে। এদিন নাতিল'ৰাটোকে লগত লৈ কমলা তালৈ গ'ল তাইৰ মাটিডৰা চাবৰ মনেৰে।

কুবেৰে ইতিকিঙৰ সুৰেৰে কমলাক ক'লে, "তুমি ইয়ালৈ আহিলা যে—? এই মাটি এতিয়া মোৰ। গুচা।"

"আপুনি ধনিক, আৰু মই দুখুনীৰো দুখুনী। মোৰ প্ৰতি অলপ কিৰ্‌পা কৰকেই।" কমলাই ক'লে।

"কোৱা, কি কিৰ্‌পা কৰিব পাৰোঁ মই।" কুবেৰে দম্ভৰে সুধিলে।

"মোৰ নাতিল'ৰাই আমাৰ আগৰ ঘৰ থকা মাটিডৰা চাব বুলি সদায় জেউৰ ধৰে।" কমলাই ক'লে।

"তুমিও চালা, সি-ও চালে, এতিয়া ভাল পাম গুচি গ'লে।" কুবেৰে ক'লে।"

"নিশ্চয় গুচি যাম। পিছে—সেই মাটিৰপৰা মোক এপাচি মাটি দিবনে? সেই মাটিৰে আখা এখন পাতিম।"

কমলাৰ এনে তুচ্ছ ইচ্ছাৰ কথা শুনি কুবেৰে আলুলৈকে উলিয়াই হাঁহিলে আৰু ক'লে, "নিয়া।"

মাটি এপাচি ভৰোৱাৰ পাছত কমলাই ক'লে, "দয়া কৰি মোৰ মূৰত পাচিখন দাঙি উঠাই দিয়ক।"

এই কথাতো কুবেৰে 'নহয়' বুলি নক'লে। কিন্তু বাৰে বাৰে চেষ্টা কৰিও সেই মাটি এপাচি কমলাৰ মূৰত কুবেৰে দাঙিবই নোৱাৰিলে।

তেতিয়া কমলাই সে সেকৈ হাঁহি উঠি কুবেৰক ক'লে, "সামান্য এপাচি মাটি দাঙি উঠ'বৰ শক্তিয়েই যদি নাই, ইমান মটি'ৰনো কি কৰিব ভাই?"

শুনি কুবেৰ তলমূৰ হ'ল। পাছত কুবেৰে কমলাক তাইৰ আগৰ মাটিডৰা ওভোতাই দিছিল আৰু লগতে ভালৰো ভাল এটি ঘৰো সাজি দিছিল।




Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!



SUPER
RUBBER
It's time to go back to school again. Time for text
books. Time for games. Time to meet old friends.
And make new ones. Time to start studying
again. Because there's so much to learn about
the world around you.
From all of us here at Chandamama, have a
great year in school. And remember to tell us
what you've learnt everyday, when you
come home from school !
THE
HANDAMAMA
OLLECTION
ARTIG1246

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৫ চনৰ অগাস্ট মাহৰ সংখ্যাত প্ৰকাশিত হ'ব।



Mahantesh C. Morabad

Mahantesh C. Morabad

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৫ চনৰ জুন মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল পʼষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৫ চনৰ এপ্ৰিল মাহৰ **ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :**

প্ৰথম ফটো : আত্মাৰ সেৰাত বিচাৰি চাবা

দ্বিতীয় ফটো : প্ৰভুক তুমি তাতেই পাবা

পাৰভিন আহমেদ, থানা ৰ'ড, নগাঁও-৭৮২ ০০১

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব।]

ভাৰতত বছৰেকীয়া বৰঙনি **চান্দমামা** ৬০.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

এনে ঘটনাও ঘটে!
এটা ধুনীয়া আবেলিয়া। ৰাজু স্কুলৰ পৰা ঘৰলৈ বুলি আহি আছিল। হঠাতে বৰ জোৰেৰে বতাহ বলিবলৈ ধৰিলে। এটা উৰণীয়া-চাকিৰা আকাশৰ পৰা উৰি আহি ৰাজুৰ সন্মুখতে ৰ'লহি।
তাৰ পৰা বাওনা এটা আহি ৰাজুক সুধিলে..
"মোৰ সতে সখি পাতিবা?"
"কি... কি... কিন্তু তুমিনো কোন?"
"মই মঙ্গল গ্ৰহৰ পৰা আহিছোঁ ইয়াত সখি পাতিবলৈ।"
ৰাজুৰ মুখৰ পৰা কথা লোপাবাকৈয়ে ওলাই গল--
"ঠিক আছে।"
"তেন্তে এয়া লোৱাঁ আমাৰ বন্ধুত্বৰ প্ৰমাণ হিচাবে। মোৰ অতি পছন্দৰ, যিটো তোমালোকৰে পৃথিৱীৰ যাদু!
"যাদু?"
"হয়তো যাদু! গুটিও নাই, কাকালিও নাই, আমৰ বিশেষ মজা দিয়ে।"
"আম? জাৰকালিও? সোনকালে দিয়াঁ।"
"তেন্তে সখি, মুখ খোলা, চকু জপোৱা টাইট আৰু এয়া লোৱাঁ মোৰ সখৰ মেংগোবাইট"
"উঁ! মেংগো বাইট!"
ৰাজু আনন্দত আত্মহাৰা হৈ গ'ল, তাৰমানে তাৰ প্ৰিয় মেংগোবাইট মঙ্গল গ্ৰহতো প্ৰিয়!
ৰাজুৱে মেংগোবাইট মুখত সোমুৱাবলৈহে পালে, নতুন সখিয়ে মেংগোবাইটেৰে ভৰা বাকচ এটা তাৰ হাতত দিলে আৰু "আকৌ লগ পাম" বুলি কৈ উৰি গুচি গ'ল।
mango bite
পার্লে
মেংগো বাইট